रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
EXTRA ORDINARY
অসাধাৰণ

भाग VI - अनुभाग 1
PART VI - Section 1
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 16 ] NEW DELHI, THURSDAY, JUNE 13, 2019 / 23 JAISTHA, 1941 (Saka) [ VOL : 5
নং ১৬ ] নতুন দিল্লী, বৃহস্পতিবাৰ, জুন ১৩, ২০১৯ / ২৩ জেঠ, ১৯৪১ (শক) [খণ্ড ঃ ৫

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

বৈধ পৰিমাপন পদ্ধতি অধিনিয়ম, ২০০৯ (২০১০ ৰ ১)

২১ ছেপ্টেম্বৰত, ২০১০ তাৰিখে যথাবিদ্যমান

# বৈধ পৰিমাপন পদ্ধতি অধিনিয়ম, ২০০৯

## (২০১০ৰ সংখ্যা ১)

### অধ্যায় - ১

### প্ৰাৰম্ভন

**ধাৰাসমূহৰ ক্ৰম ঃ**


১। সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভন ১

২। পৰিভাষা ১

৩। এই অধিনিয়মৰ উপবন্ধাৱলীয়ে আন কোনো বিধিৰ উপবন্ধাৱলীক লঙ্ঘন কৰিব। ৪


### অধ্যায় -২

### মানক ওজন আৰু জোখ-মাখ


৪। ওজন আৰু জোখ-মাখৰ একক, মেট্ৰিক পদ্ধতিৰ ওপৰত আধাৰিত হ'ব ৪

৫। ওজন আৰু জোখ-মাখৰ আধাৰ একক ৪

৬। সংখ্যাঙ্কনৰ আধাৰ একক ৫

৭। ওজন আৰু জোখ-মাখৰ মানক একক ৫

৮। মানক ওজন, জোখ-মাখ বা সংখ্যা ৫

৯। প্ৰসঙ্গ নিৰ্দেশ, গৌণ মানক আৰু কাৰ্য্যকৰী মানক ৫

১০। বিশেষ প্ৰয়োজনৰ বাবে ওজন বা জোখ-মাখৰ ব্যৱস্থা ৬

১১। ওজন, জোখ-মাখ বা সংখ্যাঙ্কনৰ মানক এককৰ নিৰন্ধন অনুসৰণ ব্যতিৰেকে উদ্ধৃতি, ইত্যাদিৰ প্ৰতিষেধ ৬

১২। মানক ওজন, জোখ-মাখ বা সংখ্যাঙ্কনৰ প্ৰতিকূল কোনো প্ৰথা, ৰীতি, ইত্যাদি অবৈধ হ'ব ৬


### অধ্যায় - ৩

### সঞ্চালক, নিয়ন্ত্ৰক আৰু বৈধ পৰিমাপন পদাধিকাৰীৰ নিযুক্তি আৰু ক্ষমতা


১৩। সঞ্চালক, বৈধ পৰিমাপন পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ নিযুক্তি। ৬

১৪। নিয়ন্ত্ৰক, বৈধ পৰিমাপন পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ নিযুক্তি। ৭

১৫। পৰিদৰ্শন, অভিগ্ৰহণ ইত্যাদিৰ ক্ষমতা। ৮

১৬। বাজেয়াপ্তকৰণ। ৮

১৭। নিৰ্মাণকাৰী, ইত্যাদিয়ে নথি আৰু পঞ্জীসমূহ সংৰক্ষন কৰিব। ৯

১৮। পূৰ্ব পেকেট কৰা সামগ্ৰীসমূহৰ ওপৰত ঘোষণা। ৯

১৯। ওজন বা জোখ-মাখৰ আমদানিকৰ্ত্তাৰ বাবে পঞ্জীয়ন। ৯

২০। অমানক ওজন আৰু জোখ-মাখৰ আমদানি কৰা নহ'ব। ৯

২১। বৈধ পৰিমাপন পদ্ধতিৰ প্ৰশিক্ষণ। ৯

২২। আৰ্হিৰ অনুমোদন। ৯

২৩। অনুজ্ঞাপত্ৰ বিনা ওজন বা জোখ-মাখৰ নিৰ্মাণ, মেৰামতি বা বিক্ৰীৰ ওপৰত প্ৰতিষেধ। ১০

## অধ্যায় - ৪

## ওজন বা জোখ-মাখৰ সত্য নিৰূপন আৰু মুদ্ৰাঙ্কন

২৪। ওজন বা জোখ-মাখৰ সত্য নিৰূপন আৰু মুদ্ৰাঙ্কন। ১০

## অধ্যায় - ৫

## অপৰাধ আৰু দণ্ড

২৫। অমানক ওজন বা জোখ-মাখৰ ব্যৱহাৰৰ বাবে দণ্ড। ১১

২৬। ওজন আৰু জোখ-মাখৰ পৰিবৰ্ত্তনৰ বাবে দণ্ড। ১১

২৭। অমানক ওজন বা জোখ-মাখৰ নিৰ্মাণ বা বিক্ৰীৰ বাবে দণ্ড। ১১

২৮। বিহিত মানকৰ উলংঘনত কোনো লেনদেন, সংব্যৱহাৰ বা সংবিদা কৰাৰ বাবে দণ্ড। ১১

২৯। অমানক এককৰ উদ্ধৃতি বা প্ৰকাশন ইত্যাদিৰ বাবে দণ্ড। ১১

৩০। মানক ওজন বা জোখ-মাখৰ উলংঘনত কাৰ্য্য নিৰ্বাহৰ বাবে দণ্ড। ১২

৩১। দস্তাবেজ, ইত্যাদি উপস্থাপন নকৰাৰ বাবে দণ্ড। ১২

৩২। আৰ্হি অনুমোদনৰ অসফলতাৰ বাবে দণ্ড। ১২

৩৩। সত্য নিৰূপণ নকৰা ওজন বা জোখ-মাখৰ ব্যৱহাৰৰ বাবে দণ্ড। ১২

৩৪। অমানক ওজন বা জোখ-মাখৰ দ্বাৰা পণ্যদ্ৰব্য ইত্যাদিৰ বিক্ৰী বা পৰিদানৰ বাবে দণ্ড। ১২

৩৫। অমানক ওজন জোখ-মাখ বা সংখ্যাৰ দ্বাৰা সেৱা প্ৰদান কৰাৰ বাবে দণ্ড। ১৩

৩৬। অমানক পেকেজসমূহৰ বিক্ৰী, ইত্যাদিৰ বাবে দণ্ড। ১৩

৩৭। চৰকাৰ অনুমোদিত পৰীক্ষা কেন্দ্ৰৰ দ্বাৰা উলংঘন কৰাৰ বাবে দণ্ড। ১৩

৩৮। ওজন বা জোখ মাখৰ আমদানিকৰ্ত্তাৰ দ্বাৰা অপঞ্জীয়নকৰণৰ বাবে দণ্ড। ১৩

৩৯। অমানক ওজন বা জোখ-মাখৰ আমদানিৰ বাবে দণ্ড। ১৪

৪০। সঞ্চালক, নিয়ন্ত্ৰক বা বৈধ পৰিমাপন পদাধিকাৰীক বাধা দিয়াৰ বাবে দণ্ড। ১৪

৪১। মিথ্যা তথ্য বা মিথ্যা প্ৰবিৱৰণ দিয়াৰ বাবে দণ্ড। ১৪

৪২। বিৰক্তিজনক অন্বেষণ। ১৪

৪৩। অধিনিয়ম আৰু নিয়মাৱলীৰ উলংঘনত সত্যনিৰূপনৰ বাবে দণ্ড। ১৫

৪৪। মোহৰ, ইত্যাদি নকল কৰাৰ বাবে দণ্ড। ১৫

৪৫। অনুজ্ঞাপত্র অবিহনে ওজন আৰু জোখ-মাখৰ প্ৰস্তুত কৰাৰ বাবে দণ্ড। ১৬

৪৬। অনুজ্ঞাপত্র বিনা ওজন আৰু জোখ-মাখৰ মেৰামতি, বিক্ৰী ইত্যাদিৰ বাবে দণ্ড। ১৬

৪৭। অনুজ্ঞাপত্ৰৰ অবৈধভাৱে পৰিবৰ্তন কৰাৰ বাবে দণ্ড। ১৬

৪৮। অপৰাধৰ আপোচকৰণ। ১৬

৪৯। কোম্পানীৰ দ্বাৰা কৰা অপৰাধসমূহ আৰু দোষীসাব্যস্ত কোম্পানীবোৰৰ বাবে নাম, ব্যৱসায়ৰ স্থান, ইত্যাদি প্ৰকাশ কৰিবলৈ ন্যায়ালয়ৰ ক্ষমতা। ১৭

৫০। আপীল। ১৯

৫১। ভাৰতীয় দণ্ড সংহিতা আৰু দণ্ড প্ৰক্ৰিয়া সংহিতাৰ উপবন্ধাৱলী প্ৰযোজ্য নহব। ২০

৫২। কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা। ২০

৫৩। ৰাজ্য চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা। ২১

৫৪। ক্ষমতাৰ অধিৰোপন। ২২

৫৫। কেতবোৰ ক্ষেত্ৰত অধিনিয়ম প্ৰযোজ্য নহয়। ২২

৫৬। বিদ্যমান সঞ্চালক, নিয়ন্ত্ৰক আৰু বৈধ পৰিমাপন পদাধিকাৰী, বিহিত কৰা নতুন অৰ্হতাৰ দ্বাৰা প্ৰভাৱিত নহ'ব। ২৩

৫৭। ওজন আৰু জোখ-মাখৰ মানক অধিনিয়ম, ১৯৭৬ৰ আৰু ওজন আৰু জোখ-মাখৰ মানক (বলবৎকৰণ) অধিনিয়ম, ১৯৮৫ৰ নিৰসন। ২৩

# বৈধ পৰিমাপন পদ্ধতি অধিনিয়ম, ২০০৯
## (২০১০ৰ সংখ্যা ১)

[১৩ জানুৱাৰী, ২০১০]

ওজন আৰু জোখ-মাখৰ মানদণ্ড সুপ্ৰতিষ্ঠিত আৰু বলবৎ কৰিবলৈ, ওজন, জোখ-মাখৰ ব্যৱসায় আৰু বাণিজ্যক আৰু ওজন, জোখ-মাখ বা সংখ্যাত বিক্ৰী বা বিতৰণ কৰা আন সামগ্ৰীবোৰক আৰু তালৈ সম্পৰ্কিত হোৱা বা তালৈ প্ৰাসঙ্গিক হোৱা বিষয়বোৰক বিনিয়মিত কৰিবলৈ এখন অধিনিয়ম।

ইয়াক, ভাৰত গণৰাজ্যৰ ষষ্ঠিতম্ বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হওঁক ঃ—

### অধ্যায় - ১

### প্ৰাৰম্ভিক

*সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ।*

১। (১) এই অধিনিয়মখন বৈধ পৰিমাপন পদ্ধতি অধিনিয়ম, ২০০৯ নামেৰে অভিহিত হ'ব।

(২) ই সমগ্ৰ ভাৰতবৰ্ষতে বিস্তাৰিত।

(৩) ই, এনে তাৰিখত বলবৎ হ'ব যেনেদৰে কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰে আৰু ই, এই অধিনিয়মৰ বিভিন্ন উপবন্ধাৱলীৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰে।

*পৰিভাষা।*

২। এই অধিনিয়মখনত প্ৰসঙ্গত অন্যথা অপেক্ষিত নহ'লে -

(ক) "নিয়ন্ত্ৰক" মানে ধাৰা ১৪ৰ অধীনত নিযুক্ত বৈধ পৰিমাপন পদ্ধতিৰ নিয়ন্ত্ৰক;

(খ) কোনো ওজন বা জোখ মাখৰ সম্পৰ্কত "ব্যৱসায়ী" মানে নগদ বা স্থগিত আদায় বা কমিচন, পাৰিতোষিক বা আন মূল্যবান মূল্য যিহৰ বাবেই নহওঁক কিয় প্ৰত্যক্ষভাৱে বা অন্যথা এনে কোনো ওজন বা জোখ-মাখৰ ক্ৰয়, বিক্ৰয়, যোগান বা বিতৰণৰ ব্যৱসায় কৰা এজন ব্যক্তি আৰু ই, এজন কমিচন এজেন্ট, এজন আমদানীকৰ্ত্তা, এজন নিৰ্ম্মাণকাৰীক অন্তৰ্ভুক্ত কৰে যিজনে তেওঁৰ দ্বাৰা নিৰ্ম্মাণ কৰা কোনো ওজন বা জোখ-মাখ এজন ব্যৱসায়ীৰ ব্যতিৰেকে যিকোনো ব্যক্তিক বিক্ৰী, যোগান, বিতৰণ বা অন্যথায় পৰিদান কৰে;

(গ) "সঞ্চালক" মানে ধাৰা ১৩ৰ অধীনত নিযুক্ত বৈধ পৰিমাপন পদ্ধতিৰ সঞ্চালক;

(ঘ) ইয়াৰ বৈয়াকৰণিক ৰূপভেদ আৰু সজাতীয় অভিব্যক্তি সহ "ৰপ্তানি" মানে, ভাৰতৰ পৰা ভাৰতৰ বাহিৰৰ এখন স্থানলৈ নিয়া;

(ঙ) ইয়াৰ বৈয়াকৰণিক ৰূপভেদ আৰু সজাতীয় অভিব্যক্তিসহ "আমদানি" মানে ভাৰতৰ বাহিৰৰ এখন স্থানৰ পৰা ভাৰতলৈ অনা;

(চ) "লেবেল" মানে পেকেট কৰাৰ পূৰ্বে কোনো পণ্যদ্ৰব্যৰ ওপৰত লগোৱা বা প্ৰতীত হোৱা কোনো লিখিত, চিহ্নিত, মোহৰ অঙ্কিত, ছপা কৰা বা গ্ৰাফিক কৰা কোনো বস্তু;

(ছ) "বৈধ পৰিমাপন পদ্ধতি" মানে পৰিমাপন পদ্ধতিৰ সেই ভাগ যিয়ে বাধ্যতামূলক কাৰিকৰী আৰু বৈধ অপেক্ষিতসমূহৰ সম্পৰ্কত ওজন আৰু জোখ-মাখৰ একক, ওজন আৰু জোখ-মাখৰ পদ্ধতি আৰু ওজন আৰু জোখ-মাখ প্ৰক্ৰিয়াৰ সঁজুলি

ব্যৱহাৰ কৰে যাৰ ওজন আৰু জোখ-মাখৰ সুৰক্ষা আৰু যথাৰ্থতাৰ দিশৰ পৰা ৰাজহুৱা প্ৰতিভূতি সুনিশ্চিত কৰাৰ লক্ষ্য থাকে;

(জ) "বৈধ পৰিমাপন পদাধিকাৰী" মানে ধাৰা ১৩ আৰু ১৪ৰ অধীনত নিযুক্ত অতিৰিক্ত সঞ্চালক, অতিৰিক্ত নিয়ন্ত্ৰক, যুটীয়া সঞ্চালক, যুটীয়া নিয়ন্ত্ৰক, উপ-সঞ্চালক, উপ-নিয়ন্ত্ৰক, সহকাৰী সঞ্চালক, সহকাৰী নিয়ন্ত্ৰক আৰু পৰিদৰ্শক;

(ঝ) কোনো ওজন বা জোখ-মাখৰ সম্পৰ্কত, "নিৰ্মাণকাৰী" মানে, এজন ব্যক্তি যিজনে-

(I) ওজন বা জোখ-মাখৰ নিৰ্মাণ কৰে,

(II) এনে ওজন বা জোখ-মাখৰ নিৰ্মাণ কৰে আৰু অন্য ভাগ সমূহক সংগ্ৰহ কৰে আৰু সেই ভাগবোৰক একত্ৰিত কৰাৰ পাচত, তেওঁৰ দ্বাৰা বা যথাস্থিতি ইয়াৰ দ্বাৰা নিৰ্মাণ কৰা এটা ওজন বা জোখ-মাখ হ'বলৈ অন্তিম উৎপাদিত সামগ্ৰী দাবী কৰে,

(III) এনে ওজন বা জোখ-মাখৰ কোনো ভাগ নিৰ্মাণ নকৰে কিন্তু আনৰ দ্বাৰা নিৰ্মাণ কৰা তাৰ ভাগসমূহ একত্ৰিত কৰে আৰু তেওঁৰ দ্বাৰা বা যথাস্থিতি ইয়াৰ দ্বাৰা নিৰ্মাণ কৰা এটা ওজন বা জোখ-মাখ হ'বলৈ শেষ উৎপাদিত সামগ্ৰী দাবী কৰে,

(IV) আন কোনো ব্যক্তিৰ দ্বাৰা তৈয়াৰ বা নিৰ্মাণ কৰা কোনো সম্পূৰ্ণ ওজন বা জোখ-মাখৰ ওপৰত তেওঁৰ নিজৰ চিহ্ন দিয়ে বা দিবলৈ কাৰিত কৰে আৰু তেওঁৰ দ্বাৰা বা যথাস্থিতি ইয়াৰ দ্বাৰা তৈয়াৰ বা নিৰ্মাণ কৰা এটা ওজন বা জোখ-মাখ হ'বলৈ এনে উৎপাদিত সামগ্ৰী দাবী কৰে;

(ঞ) "অধিসূচনা" মানে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত এখন অধিসূচনা;

(ট) "সংৰক্ষণ" মানে ব্যক্তিগত ভাৱেই হওঁক বা সামূহিকভাৱে হওঁক কোনো মানুহ বা জন্তুৰ কল্যাণৰ সংৰক্ষণ কৰিবলৈ বা কোনো সামগ্ৰী, উদ্ভিদ বা বস্তুৰ, সুৰক্ষা কৰিবলৈ ল'বলৈ অপেক্ষিত হোৱা কোনো ব্যৱস্থাৰ অৱধাৰণৰ প্ৰয়োজনাৰ্থে কোনো ওজন বা জোখ-মাখৰ পৰা প্ৰাপ্ত সূচিত অঙ্কৰ ব্যৱহাৰ;

(ঠ) "পূৰ্ব পেকেট কৰা পণ্য দ্ৰব্য" মানে এটা পণ্যদ্ৰব্য যিটো ক্ৰেতাৰ উপস্থিতিৰ অবিহনে এটা পেকেটত ৰখা হয় সি যি প্ৰকৃতিৰেই নহওঁক কিয় চীল কৰা হওঁক বা নহওঁক, যাতে তাত থকা উৎপাদিত সামগ্ৰীৰ এটা পূৰ্ব নিৰ্দ্ধাৰিত পৰিমাণ থাকে;

(ড) "ব্যক্তিয়ে" -

(I) এটা হিন্দু অবিভক্ত পৰিয়াল,

(II) প্ৰত্যেক বিভাগ বা কাৰ্য্যালয়,

(III) চৰকাৰৰ দ্বাৰা স্থাপিত বা গঠিত প্ৰত্যেক সংগঠন,

(IV) ভাৰতৰ ৰাজ্য ক্ষেত্ৰৰ ভিতৰত থকা প্ৰত্যেক স্থানীয় প্ৰাধিকাৰী,

(V) এটা কোম্পানী, ফাৰ্ম আৰু ব্যক্তিসকলৰ সংস্থা,

(VI) এখন অধিনিয়মৰ অধীনত গঠিত ন্যাস,

(VII) এখন অধিনিয়মৰ অধীনত গঠিত প্ৰত্যেক সমবায় সমিতি,

(VIII) সমিতি পঞ্জীয়ন অধিনিয়ম, ১৮৬০ৰ অধীনত পঞ্জীয়ন কৰা প্রত্যেক আন সমিতি;

(ঢ) "আবাসে" নিম্নলিখিতসমূহক অন্তৰ্ভূক্ত কৰে -

(I) এনে আবাসত ব্যৱসায় চলোৱা ব্যক্তিজনক অন্তৰ্ভূক্ত কৰি এজন ব্যক্তিয়ে তেওঁ নিজেই হওঁক বা এজন এজেন্টৰ মাধ্যমেৰে যি নামেৰেই নহওঁক কিয় এটা ব্যৱসায়, উদ্যোগ, উৎপাদন বা লেনদেন চলোৱা কোনো আবাস;

(II) এটা পণ্যাগাৰ, গুদামঘৰ বা আন স্থান য'ত কোনো ওজন বা জোখ-মাখ বা আন বস্তু মজুত বা প্রদর্শন কৰি ৰখা হয়,

(III) এটা স্থান য'ত কোনো ব্যৱসায় বা লেনদেনৰ সম্পৰ্কত কোনো হিচাপৰ বহী বা আন দস্তাবেজ ৰখা হয়,

(IV) এটা বাসগৃহ, যদি তাৰ কোনো ভাগ, ব্যৱসায়, উদ্যোগ, উৎপাদন বা বাণিজ্যৰ প্রয়োজনার্থে ব্যৱহৃত হয়,

(V) এখন বাহন বা জলযান বা কোনো আন গতিশীল উদ্ভাৱন যন্ত্র যাৰ সহায়ত কোনো লেনদেন বা ব্যৱসায় কৰা হয়;

(ণ) "বিহিত" মানে এই অধিনিয়মৰ অধীনত প্রণীত কৰা নিয়মাৱলীৰ দ্বাৰা বিহিত;

(ত) "মেৰামতিকৰ্ত্তা" মানে এজন ব্যক্তি যিজনে ওজন বা জোখ-মাখৰ মেৰামতি কৰে আৰু এজন ব্যক্তিক অন্তৰ্ভূক্ত কৰে যিজনে কোনো ওজন বা জোখ-মাখ মিলায়, চাফা কৰে, তেল দিয়ে বা ৰং দিয়ে বা এনে ওজন বা জোখ-মাখ, এই অধিনিয়মৰ দ্বাৰা বা অধীনত স্থাপিত মানকৰ অনুৰূপ হোৱাটো সুনিশ্চিত কৰিবলৈ এনে ওজন বা জোখ-মাখলৈ কোনো আন সেৱা প্রদান কৰে;

(থ) এখন সংঘ ৰাজ্য ক্ষেত্রৰ সম্পৰ্কত "ৰাজ্য চৰকাৰ" মানে তাৰ প্রশাসক;

(দ) ইয়াৰ বৈয়াকৰণিক ৰূপভেদ আৰু সজাতীয় অভিব্যক্তি সহ "বিক্ৰী" মানে নগদৰ বাবে বা স্থগিত আদায়ৰ বাবে বা কোনো আন মূল্যবান মূল্যৰ বাবে এজন ব্যক্তিৰ দ্বাৰা আন এজন ব্যক্তিলৈ কোনো ওজন, জোখ-মাখ বা আন বস্তুত থকা সম্পত্তিৰ অন্তৰণ কৰা আৰু ই, কিস্তিত ক্রয় কৰা পদ্ধতিৰ ওপৰত বা কিস্তিৰ দ্বাৰা আদায় দিয়া কোনো আন পদ্ধতিৰ ওপৰত কোনো ওজন, জোখ-মাখ বা আন বস্তুৰ অন্তৰণক অন্তৰ্ভূক্ত কৰি, কিন্তু এনে ওজনে জোখ-মাখ বা অন্য সামগ্ৰীৰ এটা বন্ধক বা দায়বন্ধকক বা এটা প্রভাব বা জমানতক অন্তৰ্ভূক্ত নকৰে;

(ধ) "চাব-মোহৰ" মানে এটা যতন বা পদ্ধতি যাৰ দ্বাৰা এটা মুদ্ৰাঙ্ক তৈয়াৰ কৰা হয় আৰু ই কোনো তাৰ বা আন আনুষঙ্গিকক অন্তৰ্ভূক্ত কৰে যিটো কোনো মুদ্ৰাঙ্কৰ অখণ্ডতা নিশ্চিতকৰণৰ বাবে ব্যৱহৃত হয়;

(ন) "মুদ্ৰাঙ্ক" মানে নিম্নলিখিতসমূহৰ উদ্দেশ্যে যিকোনো ওজন বা জোখ-মাখৰ সম্পৰ্কত পূৰ্বে প্রতি চাপ মৰা কাগজৰ ওপৰত চাব মোহৰ বা কোনো আন প্ৰক্ৰিয়াত সাচ মাৰি সাচত ঢালাই কৰি, খোদাই কৰি, চিত্ৰ অঙ্কিত কৰি, মাৰ্কা মাৰি, সংযোগ কৰি নিৰ্মাণ কৰা এটা চিত্ৰ।

**বৈধ পৰিমাপন পদ্ধতি অধিনিয়ম, ২০০৯**

(I) এনে ওজন বা জোখ-মাখ এই অধিনিয়মৰ দ্বাৰা বা অধীনত বিনিৰ্দ্দিষ্ট কৰা মানদণ্ড মানি লোৱা বুলি প্ৰমাণিত কৰা; বা

(II) এনে ওজন বা জোখ-মাখে এই অধিনিয়মৰ দ্বাৰা বা অধীনত বিনিৰ্দ্দিষ্ট কৰা মানদণ্ডৰ স্বীকৃতি নিৰ্মূল কৰা হোৱা বুলি প্ৰমাণ কৰিবলৈ ইয়াৰ ওপৰত পূৰ্বতে থকা কোনো চিহ্নই সূচনা দিয়ে;

(প) "সংব্যৱহাৰ" মানে -

(I) বিক্ৰী, ক্ৰয়, বিনিময় বা আন যিকোনো উদ্দেশ্যৰ বাবে যিয়েই নহওঁক কিয় কোনো সংবিদা; বা

(II) অধিকাৰ শুল্ক, উপশুল্ক, শুল্ক বা আন দেয়ৰ কোনো নিৰ্দ্ধাৰণ; বা

(III) কৰা কোনো কাৰ্য্য, দেয় মজুৰী বা প্ৰদত্ত সেৱাৰ কোনো নিৰ্দ্ধাৰণ;

(ফ) ইয়াৰ বৈয়াকৰণিক ৰূপভেদ আৰু সজাতীয় অভিব্যক্তি সহ, "সত্যনিৰূপনে" কোনো ওজন বা জোখ-মাখৰ সম্পৰ্কত, এনে ওজন বা জোখ-মাখে এই অধিনিয়মৰ দ্বাৰা বা অধীনত প্ৰতিষ্ঠিত কৰা মানদণ্ড স্বীকাৰ কৰা বুলি সুনিশ্চিত কৰাৰ উদ্দেশ্যে ওজন বা জোখ-মাখৰ এনে ওজন বা জোখ-মাখৰ তুলনা কৰা প্ৰক্ৰিয়াৰ নিৰীক্ষণ, পৰীক্ষণ কৰা বা সম্বন্ধিত কৰাত অন্তৰ্ভুক্ত কৰে আৰু ই পুনৰ সত্য নিৰূপণ আৰু অংশাঙ্কিতকৰণকো অন্তৰ্ভুক্ত কৰে;

(ব) "ওজন বা জোখ-মাখ" মানে এই অধিনিয়মৰ দ্বাৰা বা অধীনত বিনিৰ্দ্দিষ্ট কৰা এটা ওজন বা জোখ-মাখ আৰু ই এটা ওজন বা জোখ-মাখ কৰা যন্ত্ৰক অন্তৰ্ভুক্ত কৰে;

*এই অধিনিয়মৰ উপ-বন্ধাৱলীয়ে আন কোনো বিধিৰ উপ-বন্ধাৱলীক লঙ্ঘন কৰিব।*

৩। এই অধিনিয়মৰ উপবন্ধাৱলীৰ, এই অধিনিয়মৰ ব্যতিৰেকে কোনো অধিনিয়মিতিৰ বলত প্ৰভাৱী হোৱা এই অধিনিয়মৰ ব্যতিৰেকে কোনো অধিনিয়মিতিত বা কোনো লেখ্যত সেই বিষয়ে কোনো অসঙ্গত কথা থকা সত্বেও প্ৰভাৱ থাকিব।

## অধ্যায় - ২

## মানক ওজন আৰু জোখ-মাখ

*ওজন আৰু জোখ-মাখৰ একক মেট্ৰিক পদ্ধতিৰ ওপৰত আধাৰিত হ'ব।*

৪। ওজন বা জোখ-মাখৰ প্ৰত্যেক একক, আন্তঃৰাষ্ট্ৰীয় একক পদ্ধতিৰ ওপৰত আধাৰিত মেট্ৰিক পদ্ধতিৰ অনুসৰণত হ'ব।

*ওজন আৰু জোখ-মাখৰ আধাৰ একক।*

৫। (১) নিম্নলিখিতসমূহৰ আধাৰ একক এনে হ'ব,

(I) দৈৰ্ঘ্যৰ মূল একক মিটাৰ হ'ব;

(II) আয়তনৰ মূল একক কিলোগ্ৰাম হ'ব;

(III) সময়ৰ মূল একক চেকেণ্ড হ'ব;

(IV) বৈদ্যুতিক প্ৰবাহৰ মূল একক এম্পিয়াৰ হ'ব;

(V) থাৰমডাইনেমিক উষ্ণতাৰ মূল একক কেলভিন হ'ব;

(VI) উজ্জ্বলতাৰ প্ৰকোপৰ মূল একক হ'ব কেণ্ডিলা; আৰু

(VII) সামগ্ৰীৰ পৰিমাণৰ মূল একক অনু হ'ব।

(২) উপধাৰা (১)ত উল্লেখিত মূল এককৰ নিৰ্দ্দেশসমূহ, প্ৰাপ্ত একক আৰু আন একক বিহিত কৰাৰ দৰে এনে হ'ব।

*সংখ্যাঙ্কনৰ মূল একক।*

৬। (১) সংখ্যাঙ্কনৰ মূল একক, ভাৰতীয় সংখ্যাৰ আন্তৰাষ্ট্ৰীয় আৰ্হিৰ একক হ'ব।

(২) প্ৰত্যেক সংখ্যাঙ্কন দশমিক পদ্ধতিৰ অনুসৰণত কৰা হ'ব।

(৩) সংখ্যাৰ দশমিক গুনিতক আৰু উপ-গুনিতক বিহিত কৰা দৰে এনে মূল বৰ্গৰ হ'ব আৰু এনে ৰীতিত লিখিত হ'ব।

*ওজন আৰু জোখ-মাখৰ মানক একক।*

৭। (১) ধাৰা ৫ত বিনিৰ্দ্দিষ্ট কৰা ওজন আৰু জোখ-মাখৰ আধাৰ একক, ওজন আৰু মাপৰ মানক একক হ'ব।

(২) ধাৰা ৬ত বিনিৰ্দ্দিষ্ট কৰা সংখ্যাঙ্কনৰ মূল একক, সংখ্যাঙ্কনৰ মানক একক হ'ব।

(৩) প্ৰাপ্ত হোৱা আধাৰৰ মূল্য প্ৰাপ্তিৰ আৰু ধাৰা ৫ত উল্লিখিত আন এককৰ প্ৰয়োজনাৰ্থে কেন্দ্ৰীয় চৰকাৰে বিহিত কৰাৰ দৰে এনে ৰীতিত সামগ্ৰী বা আহিলা- পাতি প্ৰস্তুত কৰিব বা প্ৰস্তুত কৰিবলৈ কাৰিত কৰিব।

(৪) বাস্তৱ বৈশিষ্টসমূহ, আকৃতি, নিৰ্মাণকৰণৰ সবিশেষ, সামগ্ৰীসমূহ, সা-সজুলি, সম্পাদন, সহিষ্ণুতা, পুনৰ সত্য নিৰূপণৰ কাল, পৰীক্ষাৰ পদ্ধতি বা প্ৰক্ৰিয়া বিহিত কৰা দৰে এনে হ'ব।

*মানক ওজন, জোখ-মাখ বা সংখ্যা।*

৮। (১) এনে ওজন বা জোখ-মাখৰ মানক একক মানি চলা কোনো ওজন বা জোখ-মাখ আৰু ই, ইয়ালৈ প্ৰযোজ্য হোৱা ধাৰা ৭ৰ এনে উপবন্ধসমূহকো মানি চলে।

(২) ধাৰা ৬ৰ উপবন্ধাৱলী মানি চলা কোনো সংখ্যা, অনুৰূপ সেইটো মানক সংখ্যা হ'ব।

(৩) মানক ওজন, জোখ-মাখ বা সংখ্যাৰ ব্যতিৰেকে কোনো ওজন, জোখ-মাখ বা সংখ্যাক, মানক ওজন, জোখ-মাখ বা সংখ্যা হিচাবে ব্যৱহাৰ কৰা নহ'ব।

(৪) কোনো ওজন বা জোখ-মাখক নিৰ্মাণ বা আমদানি কৰা নহ'ব যি পৰ্যন্ত ই ধাৰা ৮ৰ অধীনত বিনিৰ্দ্দিষ্ট কৰা ওজন বা জোখ-মাখৰ মানকক মানি নচলে ঃ

পৰন্তু এই ধাৰাৰ উপবন্ধাৱলী, ৰপ্তানিৰ বাবে বা কোনো বৈজ্ঞানিক অনুসন্ধান বা গৱেষণাৰ প্ৰয়োজনাৰ্থে অনন্যভাৱে কৰা নিৰ্মাণৰ বাবে প্ৰযোজ্য নহ'ব।

*প্ৰসঙ্গ নিৰ্দেশ, গৌণ মানক আৰু কাৰ্য্যকৰী মানক।*

৯। (১) ওজন আৰু জোখ-মাখৰ নিৰ্দেশ মানক, গৌণ মানক আৰু কাৰ্য্যকৰী মানক, বিহিত কৰা দৰে এনে হ'ব।

(২) প্ৰত্যেক নিৰ্দেশ মানক, গৌণ মানক, আৰু কাৰ্য্যকৰী মানকক, বিহিত কৰা দৰে

এনে ৰীতিত আৰু এনে মাচুলৰ আদায়ৰ পাচত সত্যাপিত আৰু মুদ্ৰাঙ্কিত কৰা হ'ব।

(৩) উপধাৰা (২)'ৰ উপৰন্ধাৱলীৰ অনুসৰণত সত্যাৰ্পিত আৰু মুদ্ৰাঙ্কিত নোহোৱা প্ৰত্যেক নিৰ্দেশ মানক, গৌণ মানক আৰু কাৰ্য্যকৰী মানকক এটা বৈধ মানক বুলি গণ্য কৰা নহ'ব।

*বিশেষ প্ৰয়োজনৰ বাবে ওজন বা জোখ-মাখৰ ব্যৱহাৰ।*

১০। কোনো মালবস্তু, মালবস্তুৰ শ্ৰেণী বা উপক্ৰমৰ্ সম্বন্ধত কোনো লেনদেন, সংব্যৱহাৰ বা সংবিদা এনে ওজন, জোখ-মাখ বা সংখ্যাৰ দ্বাৰা কৰা হ'ব যেনেদৰে বিহিত কৰা হয়।

*ওজন, জোখ-মাখ বা সংখ্যাঙ্কনৰ মানক এককৰ নিবন্ধনৰ অনুসৰণ ব্যতিৰেকে উদ্ধৃতি, ইত্যাদিৰ প্ৰতিষেধ।*

১১। কোনো ব্যক্তিয়ে ওজন, জোখ-মাখ বা সংখ্যাঙ্কনৰ মানক এককৰ অনুসৰণ ব্যতিৰেকে, কোনো সামগ্ৰী, বস্তু বা সেৱাৰ সম্পৰ্কত,

(ক) কোনো মূল্য মুখেৰে কৈ বা অন্যথা যিদৰে ই নহওঁক কিয় কোনো উদ্ধৃতি বা ঘোষণা নকৰিব, বা

(খ) কোনো দৰৰ তালিকা, চালান, নগদ ৰচিদ বা আন দস্তাবেজ জাৰি বা প্ৰদৰ্শন নকৰিব, বা

(গ) কোনো বিজ্ঞাপন, পোষ্টাৰ বা আন দস্তাবেজ প্ৰস্তুত বা প্ৰকাশ নকৰিব, বা

(ঘ) পূৰ্বতে পেকেট কৰা পণ্যদ্ৰব্যৰ শুদ্ধ পৰিমাণ সূচিত নকৰিব, বা

(ঙ) কোনো লেন-দেন বা সংৰক্ষণৰ সম্পৰ্কত কোনো পৰিঙ্কন বা আকাৰৰ সম্পৰ্কত প্ৰকাশ নকৰিব।

(২) উপধাৰা (১)ৰ উপবন্ধাৱলী কোনো সামগ্ৰী, বস্তু বা সেৱাৰ ৰপ্তানিৰ বাবে প্ৰযোজ্য নহ'ব।

*মানক ওজন, জোখ-মাখ বা সংখ্যাঙ্কনৰ প্ৰতিকূল কোনো প্ৰথা, ৰীতি ইত্যাদি।*

১২। কোনো প্ৰথা, ৰীতি, ব্যৱসায় বা পদ্ধতি যি প্ৰকৃতিৰেই নহওঁক কিয় যিয়ে উক্ত সামগ্ৰী, বস্তু বা সেৱাৰ সম্পৰ্কত সংবিদা বা আন চুক্তিত ওজন, জোখ-মাখ বা সংখ্যাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট পৰীক্ষাৰ অধিক বা কম হোৱা কোনো সামগ্ৰী বস্তু বা সেৱাৰ পৰিমান দাবী বা গ্ৰহণ কৰিবলৈ বা দাবী অবৈধ হ'ব বা গ্ৰহণ কাৰিত কৰিবলৈ কোনো ব্যক্তিক অনুমতি দিয়ে, অবৈধ হ'ব।

## অধ্যায় -৩

## সঞ্চালক, নিয়ন্ত্ৰক আৰু বৈধ পৰিমাপন পদাধিকাৰীৰ নিযুক্তি আৰু ক্ষমতা

*সঞ্চালক, বৈধ পৰিমাপন পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ নিযুক্তি।*

১৩। (১) কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা আন্তঃৰাজ্যিক ব্যৱসায় আৰু বাণিজ্যৰ সম্পৰ্কত এই অধিনিয়মৰ দ্বাৰা বা অধীনত তেওঁলোকৰ ওপৰত প্ৰদত্ত আৰু আৰোপিত ক্ষমতাৰ কাৰ্য্যকৰী আৰু কৰ্ত্তব্যৰ নিৰ্বহনৰ বাবে বৈধ পৰিমাপন পদ্ধতিৰ এজন সঞ্চালক, অতিৰিক্ত সঞ্চালক, যুটীয়া সঞ্চালক, সহকাৰী সঞ্চালক আৰু আন কৰ্মচাৰীবৃন্দৰ নিযুক্তি দিব পাৰে।

**বৈধ পৰিমাপন পদ্ধতি অধিনিয়ম, ২০০৯**

(২) উপধাৰা (১)ৰ অধীনত নিযুক্ত সঞ্চালক আৰু বৈধ পৰিমাপন পদাধিকাৰীসকলৰ অৰ্হতাসমূহ বিহিত কৰা দৰে এনে হ'ব।

(৩) উপধাৰা (১)ৰ অধীনত নিযুক্ত সঞ্চালক আৰু প্ৰত্যেক বৈধ পৰিমাপন পদাধিকাৰীয়ে এনে স্থানীয় পৰিসীমাৰ সম্বন্ধত এনে ক্ষমতা কাৰ্য্যকৰী আৰু এনে কৃত্যসমূহ নিৰ্বহন কৰিব যেনেদৰে কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰে।

(৪) উপধাৰা (১)ৰ অধীনত নিযুক্ত প্ৰত্যেক বৈধ পৰিমাপন পদাধিকাৰীয়ে সঞ্চালকৰ সাধাৰণ অধীক্ষণ, নিৰ্দেশনা আৰু নিয়ন্ত্ৰণৰ অধীনত ক্ষমতাবোৰ কাৰ্য্যকৰী আৰু কৰ্ত্তব্যসমূহ নিৰ্বহন কৰিব।

*১৮৬০ ৰ ৪৫*

(৫) এই অধিনিয়মৰ দ্বাৰা বা অধীনত কোনো কৰ্ত্তব্য সম্পাদন কৰিবলৈ প্ৰাধিকৃত কৰা সঞ্চালক, নিয়ন্ত্ৰক আৰু প্ৰত্যেক বৈধ পৰিমাপন পদাধিকাৰীক ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থৰ ভিতৰত লোকসেৱক হিচাবে গণ্য কৰা হ'ব।

(৬) এই অধিনিয়মৰ অধীনত বা তাৰ অধীনত প্ৰণীত কোনো নিয়ম বা আদেশৰ অধীনত সজ বিশ্বাসত কৰা বা কৰিবলৈ অভিপ্ৰেত যিকোনো কাৰ্য্যৰ সম্বন্ধত এই অধিনিয়মৰ দ্বাৰা বা অধীনত কোনো কৰ্ত্তব্য সম্পাদন কৰিবলৈ প্ৰাধিকৃত সঞ্চালক, নিয়ন্ত্ৰক আৰু বৈধ পৰিমাপন পদাধিকাৰীৰ বিপক্ষে কোনো বাদ, অভিযোজন বা আন বিধিক কাৰ্য্যবাহী নচলিব।

(৭) কেন্দ্ৰীয় চৰকাৰে, ৰাজ্য চৰকাৰৰ সন্মতিসহ আৰু এই মৰ্মে ই বিনিৰ্দ্দিষ্ট কৰা দৰে এনে চৰ্ত্ত, পৰিসীমা আৰু নিৰ্বন্ধনৰ সাপেক্ষে, এই অধিনিয়মৰ অধীনত সঞ্চালকৰ এনে ক্ষমতাসমূহক, ৰাজ্যৰ বৈধ পৰিমাপন পদ্ধতিৰ নিয়ন্ত্ৰকলৈ আৰোপিত কৰিব পাৰে যেনেদৰে ই উচিত বুলি ভাবে আৰু এনে নিয়ন্ত্ৰকে, যদি ৰাজহুৱা স্বাৰ্থত এনে কৰাটো আৱশ্যকীয় বা সমীচীন বুলি যদি তেওঁৰ মত হয়, তেওঁলৈ অধিৰোপিত কৰা এনে ক্ষমতাসমূহৰ তেওঁৰ উচিত বুলি ভবা দৰে কোনো আন বৈধ পৰিমাপন পদাধিকাৰীক অধিৰোপিত কৰিব পাৰে আৰু য'ত এনে নিয়ন্ত্ৰকৰ দ্বাৰা এনে কোনো ক্ষমতাৰ অধিৰোপন কৰা হয়, যি ব্যক্তিৰ ওপৰত এনে ক্ষমতা অধিৰোপিত কৰা হয়, সেই ব্যক্তিয়ে এনে ক্ষমতাসমূহক একে ৰীতিত কাৰ্য্যকৰী কৰিব আৰু সেই একে প্ৰভাৱ নেথাকিব যেনিবা সেইবোৰক এই অধিনিয়মৰ দ্বাৰা তেওঁৰ ওপৰত প্ৰত্যক্ষভাৱে প্ৰদান কৰা হৈছিল আৰু অধিৰোপনৰ মাধ্যমেৰে নহয়।

(৮) য'ত উপধাৰা (৭)ৰ অধীনত কোনো ক্ষমতাৰ অধিৰোপন কৰা হয়, এনেদৰে অধিৰোপিত কৰা ক্ষমতা সঞ্চালকৰ সাধাৰণ অধীক্ষন, নিৰ্দ্দেশনা আৰু মাৰ্গ প্ৰদৰ্শনৰ অধীনত কাৰ্য্যকৰী কৰা হ'ব।

*নিয়ন্ত্ৰক, বৈধ পৰিমাপন পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ নিযুক্তি।*

১৪। (১) ৰাজ্য চৰকাৰে, অধিসূচনাৰ দ্বাৰা ব্যৱসায় আৰু বাণিজ্যৰ সম্পৰ্কত এই অধিনিয়মৰ দ্বাৰা বা অধীনত তেওঁলোকৰ ওপৰত প্ৰদত্ত বা আৰোপিত ক্ষমতাসমূহৰ কাৰ্য্যকৰী কৰাৰ বাবে আৰু কৰ্ত্তব্যসমূহৰ নিৰ্বহনৰ বাবে ৰাজ্যৰ বাবে বৈধ পৰিমাপন পদ্ধতিৰ এজন নিয়ন্ত্ৰক, অতিৰিক্ত নিয়ন্ত্ৰক, যুটীয়া নিয়ন্ত্ৰক, উপ-নিয়ন্ত্ৰক, সহকাৰী নিয়ন্ত্ৰক, পৰিদৰ্শক আৰু আন কৰ্মচাৰীক নিযুক্তি দিব পাৰে।

**বৈধ পৰিমাপন পদ্ধতি অধিনিয়ম, ২০০৯**

(২) উপধাৰা (১)ৰ অধীনত নিয়ন্ত্ৰক আৰু বৈধ পৰিমাপন পদ্ধতিৰ পদাধিকাৰীৰ অৰ্হতাসমূহ বিহিত কৰাৰ দৰে এনে হ'ব।

(৩) উপধাৰা (১)ৰ অধীনত নিযুক্ত প্ৰত্যেক বৈধ পৰিমাপন পদাধিকাৰীয়ে এনে ক্ষমতাসমূহ কাৰ্য্যকৰী কৰিব আৰু এনে কৃত্যসমূহ নিৰ্বহন কৰিব যেনেদৰে ৰাজ্য চৰকাৰে অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰে।

(৪) উপধাৰা (১)ৰ অধীনত নিযুক্ত প্ৰত্যেক বৈধ পৰিমাপন পদাধিকাৰীয়ে নিয়ন্ত্ৰকৰ সাধাৰণ অধীক্ষণ, নিৰ্দেশনা আৰু নিয়ন্ত্ৰনৰ অধীনত কৰ্ত্তব্যসমূহ কাৰ্য্যকৰী আৰু নিৰ্বহন কৰিব।

*পৰিদৰ্শন, অভিগ্ৰহণ ইত্যাদিৰ ক্ষমতা।*

১৫। (১) সঞ্চালক, নিয়ন্ত্ৰক বা কোনো বৈধ পৰিমাপন পদাধিকাৰীয়ে কোনো ব্যক্তিৰ দ্বাৰা তেওঁলৈ দিয়া কোনো তথ্যৰ পৰাই হওঁক আৰু লিখিতভাৱেই হওঁক বা ব্যক্তিগত জ্ঞান বা অন্যথাই হওঁক যদিহে তেওঁৰ বিশ্বাস কৰাৰ কাৰণ থাকে যে কোনো ওজন বা জোখ-মাখ বা আন সামগ্ৰী যাৰ সম্পৰ্কত কোনো ব্যৱসায় আৰু বাণিজ্য কৰা হৈছে বা হোৱা বুলি অভিপ্ৰেত হৈছে আৰু যাৰ সম্বন্ধত এই অধিনিয়মৰ অধীনত দণ্ডনীয় এটা অপৰাধ সংঘটিত হোৱা বুলি প্ৰতীত হয় বা হোৱাৰ সম্ভাৱনা থাকে, সেইবোৰক গোপনে ৰখা বা কোনো আৱাসত বা পৰিবহনৰ সময়ত গোপনে ৰখা হয়,

(ক) কোনো যুক্তিসঙ্গত সময়ত এনে কোনো আৱাসত প্ৰৱেশ কৰিব পাৰে আৰু কোনো ওজন, জোখ-মাখ বা আন সামগ্ৰী আৰু ইয়াৰ সম্পৰ্কিত কোনো নথি, পঞ্জী বা আন দস্তাৱেজৰ অন্বেষন আৰু পৰিদৰ্শন কৰিব পাৰে যাৰ সম্পৰ্কত ব্যৱসায় আৰু বাণিজ্য কৰা হৈছে, বা হ'বলৈ অভিপ্ৰেত হয়;

(খ) কোনো ওজন, জোখ-মাখ বা সামগ্ৰী আৰু কোনো নথি, পঞ্জী বা আন দস্তাবেজ বা বস্তু অধিগ্ৰহণ কৰিব পাৰে যিটো তেওঁৰ বিশ্বাস কৰাৰ কাৰণ থাকে, তেওঁ এই অধিনিয়মৰ অধীনত দণ্ডনীয় এটা অপৰাধ কোনো ব্যৱসায় আৰু বাণিজ্যৰ ক্ৰমত বা সম্পৰ্কত সংঘটিত হৈছে বা হোৱাৰ সম্ভাৱনা থকা বুলি সূচনা দি সাক্ষ্য প্ৰদান কৰিব পাৰে।

(২) সঞ্চালক, নিয়ন্ত্ৰক বা কোনো বৈধ পৰিমাপন পদাধিকাৰীয়ে উপধাৰা (১)ত নিৰ্দেশিত ওজন বা জোখ-মাখৰ সম্পৰ্কত প্ৰত্যেক দস্তাবেজ বা আন নথিৰ দাখিলকৰণকো অপেক্ষিত কৰে আৰু এনে ওজন বা জোখ-মাখৰ অভিৰক্ষাত থকা ব্যক্তিয়ে এনে অভিযাচন পালন কৰিব।

(৩) য'ত উপধাৰা (১)ৰ অধীনত অভিগ্ৰহণ কৰা কোনো সামগ্ৰী শীঘ্ৰতা বা প্ৰাকৃতিক ক্ষয়শীলৰ সাপেক্ষে হয়, সঞ্চালক, নিয়ন্ত্ৰক বা বৈধ পৰিমাপন পদাধিকাৰীয়ে এনে সামগ্ৰীসমূহক বিহিত কৰাৰ দৰে এনে ৰীতিত পন বিক্ৰয় কৰিব পাৰে।

(৪) এই ধাৰাৰ অধীনত কৰা প্ৰত্যেক অন্বেষণ বা অভিগ্ৰহণ দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ উপবন্ধাৱলীৰ অনুসৰণত; অন্বেষণ আৰু অভিগ্ৰহণৰ সম্পৰ্কত সম্পন্ন কৰা হ'ব।

*বাজেয়াপ্তকৰণ*

১৬। (১) প্ৰত্যেক অমানক বা অসত্যাৰ্পিত ওজন বা জোখ-মাখ আৰু কোনো ব্যৱসায় আৰু বাণিজ্যৰ ক্ৰমত বা সম্পৰ্কত ব্যৱহৃত আৰু ধাৰা ১৫ৰ অধীনত অভিগৃহীত ধাৰা ১৮ উলঙ্ঘনত কৰা প্ৰত্যেক পেকেট ৰাজ্য চৰকাৰলৈ বাজেয়াপ্ত হ'বলৈ দায়ী হ'বঃ-

পৰন্তু এনে অসত্যাৰ্পিত ওজন বা জোখ-মাখক ৰাজ্য চৰকাৰলৈ বাজেয়াপ্ত কৰা

নহ'ব যদি এনে ব্যক্তি যাব পৰা এনে ওজন বা জোখ-মাখ অভিগ্ৰহণ কৰা হৈছিল, তেওঁ সেই একেবোৰক বিহিত কৰা দৰে এনে সময়ৰ ভিতৰত সত্যাৰ্পিত আৰু মুদ্ৰাঙ্কিত হিচাবে পায়।

(২) ধাৰা ২৫ৰ অধীনত অভিগ্ৰহন কৰা কিন্তু উপধাৰা (১)ৰ অধীনত বাজেয়াপ্ত নকৰা প্ৰত্যেক ওজন, জোখ-মাখ বা অন্য সামগ্ৰী, এনে প্ৰাধিকাৰীৰ দ্বাৰা বিহিত কৰা দৰে এনে ৰীতিত পন বিক্ৰয় কৰা হ'ব।

*নিৰ্মাণকাৰী ইত্যাদিয়ে, নথি আৰু পঞ্জীসমূহ সংৰক্ষণ কৰিব।*

১৭। (১) ওজন বা জোখ-মাখৰ প্ৰত্যেক নিৰ্মাণকাৰী, মেৰামতিকৰ্তা বা ব্যৱসায়ীয়ে বিহিত কৰা দৰে এনে নথি আৰু পঞ্জীৰ সংৰক্ষণ কৰিব।

(২) উপধাৰা (১)ৰ অধীনত সংৰক্ষণ কৰা নথি আৰু পঞ্জী ধাৰা ১৫ৰ উপধাৰা (১)ৰ অধীনত উক্ত প্ৰয়োজনৰ বাবে প্ৰাধিকৃত কৰা ব্যক্তিলৈ পৰিদৰ্শনৰ সময়ত উপস্থাপন কৰা হ'ব।

*পূৰ্বে পেকেট কৰা পন্যদ্ৰব্যসমূহৰ ওপৰত ঘোষণা।*

১৮। (১) কোনো ব্যক্তিয়ে কোনো পূৰ্বে পেকেট কৰা পন্যদ্ৰব্যৰ বিক্ৰীৰ বাবে নিৰ্মাণ, পেকেট, বিক্ৰী, আমদানি, বিতৰণ, পৰিদান, প্ৰস্তাব, প্ৰদৰ্শন বা দখল নকৰিব, যি পৰ্য্যন্ত এনে পেকেজ, এনে মানক পৰিমাণ বা সংখ্যাত নাথাকে আৰু এনে ঘোষণা আৰু সবিশেষসমূহ ইয়াৰ ওপৰত বিহিত কৰাৰ দৰে এনে ৰীতিত বহন নকৰে।

(২) এটা পূৰ্বত পেকেট কৰা পন্যদ্ৰব্যৰ বিক্ৰী মূল্য উল্লেখ থকা কোনো বিজ্ঞাপন বিহিত কৰা দৰে এনে প্ৰ-পত্ৰ আৰু ৰীতিত পেকেটত থকা সামগ্ৰীৰ মুঠ পৰিমাণ বা সংখ্যাৰ সম্বন্ধত এটা ঘোষণা সন্নিবিষ্ট কৰিব।

*ওজন বা জোখ-মাখৰ আমদানি কৰ্তাৰ বাবে পঞ্জীয়ন।*

১৯। কোনো ব্যক্তিয়ে কোনো ওজন বা জোখ-মাখৰ আমদানি নকৰিব যি পৰ্য্যন্ত তেওঁ বিহিত কৰা দৰে এনে ৰীতিত আৰু এনে মাছুলৰ আদায়ত সঞ্চালকৰ কাৰ্য্যালয়ত পঞ্জীভুক্ত নহয়।

*অমানক ওজন আৰু জোখ-মাখক আমদানি কৰা নহ'ব।*

২০। কোনো ওজন জোখ-মাখ, একক ভাবেই হওঁক বা এটা যন্ত্ৰৰ এটা ভাগ হিচাবেই হওঁক বা উপাদান হিচাবেই হওঁক, আমদানি কৰা নহ'ব যি পৰ্য্যন্ত ই, এই অধিনিয়মৰ দ্বাৰা বা অধীনত প্ৰতিষ্ঠিত ওজন বা জোখ-মাখৰ মানকলৈ অনুৰূপ নহয়।

*বৈধ পৰিমাপন পদ্ধতিৰ প্ৰশিক্ষণ।*

*১৯৭৬ৰ ৬০*

২১। (১) বৈধ পৰিমাপন পদ্ধতি আৰু জ্ঞানৰ অন্য সহবদ্ধ শাখাসমূহৰ প্ৰশিক্ষণ দিবৰ বাবে ওজন আৰু জোখ-মাখৰ মানক অধিনিয়ম, ১৯৭৬ৰ উপবন্ধাৱলীৰ অধীনত স্থাপিত "ভাৰতীয় বৈধ পৰিমাপন পদ্ধতি সংস্থাক" ইয়াত (ইয়াৰ পিচত "সংস্থা" ৰূপে নিৰ্দেশিত) এই অধিনিয়মৰ তদনুৰূপ উপবন্ধাৱলীৰ অধীনত স্থাপিত বুলি গণ্য কৰা হ'ব।

(২) সংস্থাৰ পৰিচালনা আৰু নিয়ন্ত্ৰণ, মণ্ডলী, আৰু আন কৰ্মচাৰী, তাত প্ৰশিক্ষণৰ বাবে থকা পাঠ্যক্ৰম আৰু পাঠসূচী, তাত নামভৰ্তিৰ বাবে যোগ্য হ'বলৈ এজন ব্যক্তিয়ে ধাৰণ কৰা অৰ্হতা এনে হ'ব যেনেদৰে বিহিত কৰা হয়।

*আৰ্হিৰ অনুমোদন।*

২২। কোনো ওজন জোখ-মাখৰ নিৰ্মাণ বা আমদানি কৰাৰ পূৰ্বে প্ৰত্যেক ব্যক্তিয়ে বিহিত কৰাৰ দৰে এনে ৰীতিত এনে মাচুলৰ আদায়ত এনে প্ৰাধিকাৰীৰ পৰা এনে ওজন বা জোখ-মাখৰ আৰ্হিৰ অনুমোদন বিচাৰিব ঃ

পৰন্তু আৰ্হিৰ এনে অনুমোদন, সাঁচত দিয়া লোহা, পিতল, সোণ-ৰূপৰ চপৰা বা কেৰেট ওজন বা কোনো বীম স্কেল, দৈৰ্ঘ্যতাৰ জোখ-মাখ (জোখ-মাখৰ টেপ নোহোৱা)ৰ সম্বন্ধত অপেক্ষিত নহয় যিটো বস্ত্র বা কাঠৰ জোখ-মাখৰ বাবে সাধাৰণতে খুচুৰা ব্যৱসায়ত ব্যৱহৃত হয়, বিশ লিটাৰ ধাৰণ সামৰ্থ্যৰ অনধিক সামৰ্থ্য জোখ-মাখ যিটো কেৰাচিন, গাখীৰ বা পানীয় মাদক দ্রব্যৰ জোখ-মাখৰ বাবে সাধাৰণতে খুচুৰা ব্যৱসায়ত ব্যৱহৃত হয় ঃ

উপৰন্তু বিহিত প্ৰাধিকাৰীয়ে যদি তেওঁ সন্তুষ্ট হয় যে কোনো ওজন বা জোখ-মাখৰ আৰ্হি, যিয়ে ভাৰতৰ বাহিৰৰ এখন দেশত অনুমোদিত হৈছে এই অধিনিয়মৰ দ্বাৰা বা অধীনত প্ৰতিষ্ঠাপিত মানকৰে অনুৰূপ হয় কোনো পৰীক্ষা বিনা বা এনে পৰীক্ষাৰ পাচত এনে আৰ্হিৰ অনুমোদন দিব যিটো তেওঁ উচিত বুলি ভাবে।

*অনুজ্ঞাপত্ৰ বিনা ওজন বা জোখ-মাখৰ নিৰ্মাণ, মেৰামতি বা বিক্ৰীৰ ওপৰত প্ৰতিষেধ।*

২৩। (১) কোনো ব্যক্তিয়ে, কোনো ওজন বা জোখ-মাখৰ নিৰ্মাণ, মেৰামতি বা বিক্ৰী বা মেৰামতি বা বিক্ৰীৰ বাবে প্ৰস্তাৱৰ উন্মুক্ত ধাৰণ নকৰিব যি পৰ্য্যন্ত তেওঁ উপধাৰা (২)ৰ অধীনত নিয়ন্ত্ৰকৰ দ্বাৰা জাৰী কৰা এখন অনুজ্ঞাপত্ৰ ধাৰণ নকৰে ঃ

পৰন্তু মেৰামতি কৰাৰ কোনো অনুজ্ঞাপত্ৰ, সেইবোৰ নিৰ্মাণ কৰা এখন ৰাজ্যৰ ব্যতিৰেকে এখন ৰাজ্যত তেওঁৰ নিজা ওজন বা জোখ-মাখৰ মেৰামতিৰ বাবে এজন নিৰ্মাণকাৰীৰ দ্বাৰা অপেক্ষিত কৰা নহ'ব।

(২) উপধাৰা (১)ৰ প্ৰয়োজনাৰ্থে নিয়ন্ত্ৰকে এনে প্ৰ-পত্ৰ আৰু ৰীতিত এনে চৰ্ত্তাৱলীৰ ওপৰত, এনে কালৰ বাবে আৰু অধিকাৰিতাৰ এনে এলেকাৰ বাবে আৰু এনে মাচুলৰ আদায়ত এখন অনুজ্ঞাপত্ৰ জাৰি কৰিব যেনেদৰে বিহিত কৰা হয়।

## অধ্যায় - ৪

## ওজন বা জোখ-মাখৰ সত্য নিৰূপণ আৰু মুদ্ৰাঙ্কন

*ওজন বা জোখ-মাখৰ সত্য নিৰূপণ আৰু মুদ্ৰাঙ্কন।*

২৪। (১) এনে ওজন বা জোখ-মাখ কোনো লেন-দেন বা সুৰক্ষাৰ বাবে তেওঁৰ দ্বাৰা ব্যৱহাৰত হয় বা হ'বলৈ অভিপ্ৰেত হয় বা ব্যৱহৃত হোৱাৰ সম্ভাৱনা থাকে বুলি সূচনা দি পৰিস্থিতিসমূহত তেওঁৰ অধিকাৰ, অভিৰক্ষা বা নিয়ন্ত্ৰনত কোনো ওজন বা জোখ-মাখ ৰখা প্ৰত্যেক ব্যক্তিৰ এনে ওজন বা জোখ-মাখৰ এনে ব্যৱহাৰ কৰাৰ পূৰ্বে নিয়ন্ত্ৰকে সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা, এই মৰ্মে বিনিৰ্দ্দিষ্ট কৰা দৰে এনে স্থানত আৰু এনে সময়ৰ ভিতৰত বিহিত কৰা দৰে এনে মাচুলৰ আদায়ত সত্য নিৰূপিত এনে ওজন বা জোখ-মাখ থাকিব।

(২) কেন্দ্ৰীয় চৰকাৰে ওজন আৰু জোখ-মাখৰ প্ৰকাৰ বিহিত কৰিব পাৰে যাৰ বাবে সত্যনিৰূপনে চৰকাৰৰ অনুমোদিত পৰীক্ষা কেন্দ্ৰৰ দ্বাৰা কৰা হ'ব।

(৩) চৰকাৰী অনুমোদিত পৰীক্ষণ কেন্দ্ৰক, কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ৰীতিত এনে নিবন্ধন আৰু চৰ্ত্তাৱলীৰ ওপৰত আৰু এনে মাচুলৰ আদায়ত অধিসূচিত কৰা হ'ব।

(৪) চৰকাৰী অনুমোদিত পৰীক্ষা কেন্দ্ৰই, এনে অৰ্হতা সম্পন্ন আৰু অভিজ্ঞতা থকা ব্যক্তিক নিযুক্ত বা নিয়োজিত কৰিব আৰু উপধাৰা (২)ৰ অধীনত বিনিৰ্দ্দিষ্ট ওজন আৰু জোখ-মাখৰ সত্যনিৰূপনৰ বাবে এনে চৰ্ত্তাৱলীৰ ওপৰত এনে মাচুল সংগ্ৰহ কৰিব যেনেদৰে বিহিত কৰা হয়।

## অধ্যায় - ৫

## অপৰাধ আৰু দণ্ড

*অমানক ওজন বা জোখ-মাখৰ ব্যৱহাৰৰ বাবে দণ্ড।*

২৫। যিয়ে, এই অধিনিয়মৰ দ্বাৰা বা অধীনত বিনির্দ্দিষ্ট কৰা ওজন বা জোখ-মাখৰ মানক বা যথাস্থিতি সংখ্যাঙ্কনৰ মানকৰ অনুসৰণ ব্যতিৰেকে কোনো ওজন বা জোখ-মাখৰ ব্যৱহাৰ কৰে বা ব্যৱহাৰৰ বাবে ৰাখে বা কোনো সংখ্যাঙ্কনৰ ব্যৱহাৰ কৰে তেওঁ পচিশ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে দণ্ডিত হ'ব আৰু দ্বিতীয় আৰু অনুৱৰ্ত্তী অপৰাধৰ বাবে ছমাহলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে আৰু জৰিমনাৰেও দণ্ডিত হ'ব।

*ওজন আৰু জোখ-মাখৰ পৰিবৰ্ত্তনৰ বাবে দণ্ড।*

২৬। সত্য নিৰূপনৰ ওপৰত সূচিত হোৱা কোনো ভুলৰ শুদ্ধকৰণৰ বাবে যেতিয়া এনে পৰিবৰ্ত্তন কৰা হয়, তাৰ ব্যতিৰেকে যিয়ে কোনো ব্যক্তিক প্ৰতাৰণা কৰাৰ উদ্দেশ্যে বা কোনো ব্যক্তি তাৰ দ্বাৰা প্ৰতাৰিত হোৱাৰ সম্ভাৱনা আছে বুলি জানি বা বিশ্বাস কৰাৰ কাৰণ থকাত যিয়েই প্ৰসঙ্গ নির্দেশ মানক, দ্বিতীয় মানক বা কাৰ্য্যকৰী মানকক যিকোনো প্ৰকাৰে অবৈধভাৱে পৰিবৰ্তন কৰে বা কোনো ওজন বা জোখ-মাখৰ পৰিবৰ্ত্তন কৰে, তেওঁক পঞ্চাশ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে দণ্ডিত কৰা হ'ব আৰু দ্বিতীয় আৰু অনুবৰ্ত্তী অপৰাধৰ বাবে ছয় মাহতকৈ কম নোহোৱা কিন্তু এবছৰ পৰ্য্যন্ত বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা জৰিমনাসহ বা উভয়েৰে দণ্ডিত কৰা হ'ব।

*সমনক ওজন বা জোখ-মাখৰ নিৰ্মাণ বা বিক্ৰীৰ বাবে দণ্ড।*

২৭। প্ৰত্যেক ব্যক্তি যিয়ে কোনো ওজন বা জোখমাখ সামগ্ৰী প্ৰস্তুত কৰে বা প্ৰস্তুত কৰিবলৈ কাৰিত কৰে বা বিক্ৰী কৰে বা প্ৰস্তাৱ কৰে, প্ৰদৰ্শিত কৰে বা বিক্ৰীৰ বাবে অধিকাৰত ৰাখে যিটো এই অধিনিয়মৰ অধীনত তেওঁ এনে কৰিবলৈ অনুমতিপ্ৰাপ্ত হোৱাৰ ব্যতিৰেকে,

(ক) এই অধিনিয়মৰ দ্বাৰা বা অধীনত বিনিৰ্দ্দিষ্ট ওজন বা জোখ-মাখৰ মানকলৈ অনুৰূপ নকৰে; বা

(খ) যিয়ে, তাৰ ওপৰত ওজন, জোখ-মাখ বা সংখ্যা খোদাই বহন কৰে যিয়ে এই অধিনিয়মৰ দ্বাৰা বা অধীনত বিনিৰ্দ্দিষ্ট ওজন, জোখ-মাখ বা সংখ্যাঙ্কনৰ মানকলৈ অনুৰূপ নকৰে;

তেওঁ, বিশ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে দণ্ডিত হ'ব আৰু দ্বিতীয় বা পৰৱৰ্ত্তী অপৰাধৰ বাবে তিনি বছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা জৰিমনাসহ বা উভয়েৰে দণ্ডিত হ'ব।

*বিহিত মানকৰ উলঙ্ঘনত কোনো লেনদেন, সংব্যৱহাৰ বা সংবিদা কৰাৰ বাবে দণ্ড।*

২৮। যিয়েই, ধাৰা ১০ৰ অধীনত বিনিৰ্দ্দিষ্ট কৰা ওজন আৰু জোখ-মাখৰ মানকৰ উলঙ্ঘনত কোনো লেনদেন, সংব্যৱহাৰ সংবিদা কৰে তেওঁক দহ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে আৰু দ্বিতীয় বা অনুৱৰ্ত্তী অপৰাধৰ বাবে এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত কৰা হ'ব।

*অমানক এককৰ উদ্ধৃতি বা প্ৰকাশন ইত্যাদিৰ বাবে দণ্ড।*

২৯। যিয়েই ধাৰা ১১ উলঙ্ঘন কৰে, তেওঁ, দহ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে দণ্ডিত হ'ব আৰু দ্বিতীয় বা অনুৱৰ্ত্তী অপৰাধৰ বাবে এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে বা জৰিমনাসহ বা উভয়েৰে দণ্ডিত হ'ব।

*মানক ওজন বা জোখ-মাখৰ উলংঘনত কাৰ্য্যনিৰ্বাহৰ বাবে দণ্ড।*

৩০। যিয়েই,

(ক) কোনো সামগ্ৰী বা বস্তুৰ ওজন, জোখ-মাখ বা সংখ্যাত বিক্ৰী কৰোতে ক্ৰয়কৰ্ত্তাক সংবিদা কৰা বা দেয় হোৱা পৰিমাণ বা সংখ্যাতকৈ কম সেই সামগ্ৰী বা বস্তুৰ কোনো পৰিমাণ বা সংখ্যা ক্ৰেতালৈ পৰিদান কৰে বা পৰিদান কৰিবলৈ কাৰিত কৰে; বা

(খ) ওজন, জোখ-মাখ বা সংখ্যাৰ দ্বাৰা কোনো সেৱা প্ৰদত্ত কৰাত সংবিদা কৰা বা দেয় হোৱা সেৱাতকৈ কম সেৱা প্ৰদান কৰে; বা

(গ) কোনো সামগ্ৰী বা বস্তুৰ ওজন, জোখ-মাখ বা সংখ্যাৰ দ্বাৰা ক্ৰয় কৰোতে সংবিদা কৰা বা দেয় হোৱা পৰিমান বা সংখ্যাৰ অতিৰিক্ত হোৱা সেই সামগ্ৰী বা বস্তুৰ কোনো পৰিমাণ বা সংখ্যা প্ৰৱঞ্চনামূলকভাৱে গ্ৰহণ কৰে বা গ্ৰহণ কৰিবলৈ কাৰিত কৰে; বা

(ঘ) ওজন, জোখ-মাখৰ দ্বাৰা কোনো সেৱাৰ প্ৰাপ্তিত, সংবিদা কৰা বা দেয় হোৱা সেৱাৰ অতিৰিক্ত সেই সেৱা প্ৰাপ্ত কৰে, তেওঁ জৰিমনাসহ দহ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে আৰু দ্বিতীয় আৰু অনুৱৰ্ত্তী অপৰাধৰ বাবে এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব।

*দস্তাবেজ, ইত্যাদি উপস্থাপন নকৰাৰ বাবে দণ্ড।*

৩১। যিয়েই, এই অধিনিয়মৰ বা তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বা অধীনত অপেক্ষিত হোৱাত প্ৰবিৰণ দাখিল কৰে, কোনো অভিলেখ বা পঞ্জী সংৰক্ষণ কৰে বা সঞ্চালক বা নিয়ন্ত্ৰক বা কোনো বৈধ পৰিমাপন পদাধিকাৰীয়ে কোনো ওজন বা জোখ-মাখ বা কোনো দস্তাবেজ, পঞ্জী বা তালৈ সম্পৰ্কিত অন্য অভিলেখৰ পৰিদৰ্শনৰ বাবে তেওঁৰ সন্মুখত উপস্থাপন কৰাত কোনো যুক্তিসঙ্গত কাৰণ বিনা, এনে কৰিবলৈ অপাৰগ হয় বা অসফল হয় তেওঁ পাঁচ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে আৰু দ্বিতীয় বা অনুৱৰ্ত্তী অপৰাধৰ বাবে এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে আৰু জৰিমনাসহ দণ্ডিত হ'ব।

*আৰ্হি অনুমোদনৰ অসফলতাৰ বাবে দণ্ড।*

৩২। যিয়েই, অনুমোদনৰ বাবে দিয়া কোনো ওজন বা জোখ-মাখৰ আৰ্হি দাখিল কৰিবলৈ অসফল বা অপাৰগ হয় তেওঁ বিশ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে আৰু দ্বিতীয় বা অনুৱৰ্ত্তী অপৰাধৰ বাবে এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে আৰু জৰিমনাৰেও দণ্ডিত হ'ব।

*সত্য নিৰূপন নকৰা ওজন বা জোখ-মাখৰ ব্যৱহাৰৰ বাবে দণ্ড।*

৩৩। যিয়েই, সত্য নিৰূপন নকৰা ওজন বা জোখ-মাখৰ বিক্ৰী, বিতৰণ, পৰিদান বা অন্যথা অন্তৰণ বা ব্যৱহাৰ কৰে, তেওঁ দুহেজাৰ টকাতকৈ কম নোহোৱা কিন্তু দহ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে আৰু দ্বিতীয় বা অনুৱৰ্ত্তী অপৰাধৰ বাবে এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে আৰু জৰিমনাৰেও দণ্ডিত হ'ব।

*অমানক ওজন বা জোখ-মাখৰ দ্বাৰা পণ্য দ্ৰব্য ইত্যাদিৰ বিক্ৰী বা পৰিদানৰ বাবে দণ্ড।*

৩৪। যিয়েই, মানক ওজন বা জোখ-মাখ বা সংখ্যাৰ ব্যতিৰেকে কোনো পণ্য দ্ৰব্য, সামগ্ৰী বা বস্তু যি কোনো প্ৰকাৰে বিক্ৰী কৰে বা বিক্ৰী কৰিবলৈ পৰিদান কৰে বা পৰিদান কৰিবলৈ কাৰিত কৰে, তেওঁ দুহেজাৰ টকাৰ কম নোহোৱা কিন্তু পাঁচ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে আৰু দ্বিতীয় আৰু অনুৱৰ্ত্তী অপৰাধৰ বাবে, তিনি মাহৰ কম নোহোৱা কিন্তু এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা জৰিমনাসহ বা উভয়েৰে দণ্ডিত হ'ব।

*অমানক ওজন, জোখ-মাখ বা সংখ্যাৰ দ্বাৰা সেৱা প্ৰদান কৰাৰ বাবে দণ্ড।*

৩৫। যিয়েই, ওজন বা জোখ-মাখ বা সংখ্যাঙ্কনৰ ব্যতিৰেকে উপায়ৰ দ্বাৰা মানক ওজন বা জোখ-মাখৰ ব্যতিৰেকে কোনো ওজন, জোখ-মাখৰ বা সংখ্যাঙ্কনৰ নিবন্ধন অনুসৰি কোনো সেৱা প্ৰদান কৰে বা প্ৰদান কৰিবলৈ কাৰিত কৰে তেওঁ, দুহেজাৰ টকাৰ কম নোহোৱা কিন্তু পাঁচ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে আৰু দ্বিতীয় বা অনুৱৰ্ত্তী অপৰাধৰ বাবে তিনি মাহৰ কম নোহোৱা কিন্তু এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা জৰিমনাসহ বা উভয়েৰে দণ্ডিত হ'ব।

*অমানক পেকেজসমূহৰ বিক্ৰী, ইত্যাদিৰ বাবে দণ্ড।*

৩৬। (১) যিয়েই, এই অধিনিয়মত উপবন্ধিত কৰা পেকেটবোৰৰ ওপৰত দিয়া বিজ্ঞপ্তিৰ অনুৰূপ নকৰা কোনো পূৰ্ব পেকেট পণ্যদ্ৰব্য বিক্ৰীৰ বাবে নিৰ্মাণ কৰে, পেকেট কৰে, আমদানি কৰে, বিক্ৰী কৰে, বিতৰণ কৰে, পৰিদান কৰে বা অন্যথা অন্তৰণ, প্ৰস্তাৱ, প্ৰদৰ্শন বা অধিকাৰত ৰাখে, বা বিক্ৰীৰ বাবে বিতৰণ, পৰিদান বা অন্যথা অন্তৰণ, প্ৰস্তাৱ বা প্ৰদৰ্শন কৰিবলৈ কাৰিত কৰে, তেওঁ,পচিশ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে, দ্বিতীয় অপৰাধৰ বাবে, পঞ্চাশ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা জৰিমনাৰে আৰু অনুৱৰ্ত্তী অপৰাধৰ বাবে, পঞ্চাশ হাজাৰ টকাৰ কম নোহোৱা কিন্তু একলাখ টকালৈ বিস্তৃত হ'ব পৰা জৰিমনাৰে বা এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা উভয়েৰে দণ্ডিত হ'ব।

(২) যিয়েই, কোনো পূৰ্ব পেকেট কৰা পণ্যদ্ৰব্য বিহিত কৰা দৰে মুঠ পৰিমাণত ত্ৰুটিসহ উৎপাদন কৰে বা বান্ধে বা আমদানি কৰে বা উৎপাদন বা বান্ধিবলৈ বা আমদানি কৰিবলৈ কাৰিত কৰে, তেওঁ দহ হাজাৰ টকাৰ কম নোহোৱা কিন্তু পঞ্চাশ হেজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে আৰু দ্বিতীয় আৰু অনুৱৰ্ত্তী অপৰাধৰ বাবে একলাখ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে বা এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা উভয়েৰে দণ্ডিত হ'ব।

*চৰকাৰ অনুমোদিত পৰীক্ষণ কেন্দ্ৰৰ দ্বাৰা উলংঘন কৰাৰ বাবে দণ্ড।*

৩৭। (১) য'ত কোনো চৰকাৰ অনুমোদিত পৰীক্ষণ কেন্দ্ৰই এই অধিনিয়মৰ উপবন্ধাৱলীৰ যিকোনো বা তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ বা অনুজ্ঞাপত্ৰৰ চৰ্ত্তাৱলী উলঙ্ঘন কৰে, ই একলাখ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে দণ্ডিত হ'ব।

(২) য'ত এটা চৰকাৰ অনুমোদিত পৰীক্ষা কেন্দ্ৰৰ স্বত্বাধিকাৰী বা কৰ্মচাৰীয়ে, এই অধিনিয়মৰ উপবন্ধাৱলী বা তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ অনুসৰণত কৰ্ত্তব্য সম্পাদন কৰি থাকোতে এই অধিনিয়মৰ উপবন্ধাৱলী বা তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ উলংঘনত ইচ্ছাকৃত ভাৱে কোনো ওজন বা জোখ-মাখৰ সত্য নিৰূপন বা মুদ্ৰাঙ্কন কৰে, তেওঁ এনে প্ৰত্যেক উলংঘনৰ বাবে এটা এবছৰলৈ বিস্তৃত হ'ব পৰা কালৰ বাবে কাৰাবাসেৰে দণ্ডনীয় হ'ব বা দহ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব।

*ওজন বা জোখ-মাখৰ আমদানিকৰ্ত্তাৰ দ্বাৰা অপঞ্জীয়নকৰণৰ বাবে দণ্ড।*

৩৮। যিয়েই, এই অধিনিয়মৰ অধীনত পঞ্জীয়ন অবিহনে কোনো ওজন বা জোখ-মাখৰ আমদানি কৰে, তেওঁ পঁচিশ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে আৰু দ্বিতীয় বা অনুৱৰ্ত্তী অপৰাধৰ বাবে ছয় মাহলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব।

*অমানক ওজন বা জোখ-মাখৰ আমদানিৰ বাবে দণ্ড।*

৩৯। যিয়েই, কোনো অমানক ওজন বা জোখ-মাখৰ আমদানি কৰে তেওঁ পঞ্চাশ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে আৰু দ্বিতীয় বা অনুৱৰ্ত্তী অপৰাধৰ বাবে এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে আৰু জৰিমনাৰেও দণ্ডিত হ'ব।

*সঞ্চালক, নিয়ন্ত্ৰক বা বৈধ পৰিমাপন পদাধিকাৰীক বাধা দিয়াৰ বাবে দণ্ড।*

৪০। যিয়েই, সঞ্চালক বা বৈধ পৰিমাপন পদাধিকাৰীক, তেওঁলোকৰ ক্ষমতাৰ কাৰ্য্যকৰীকৰণত বা তেওঁৰ কৃত্যৰ নিৰ্বহনত কোনো সঞ্চালক বা নিয়ন্ত্ৰক বা কোনো বৈধ পৰিমাপন পদাধিকাৰীক প্ৰতিযেধকৰণ কৰাৰ অভিপ্ৰায়েৰে বাধা দিয়ে বা এনেদৰে তেওঁৰ ক্ষমতাৰ বিধিপূৰ্ণ প্ৰয়োগ বা তেওঁৰ কৃত্যৰ নিৰ্বহনত সঞ্চালক, বা নিয়ন্ত্ৰক বা কোনো বৈধ পৰিমাপন পদাধিকাৰীৰ দ্বাৰা কৰা বা কৰিবলৈ প্ৰয়াস কৰা কোনো কাৰ্য্যৰ পৰিণামত বা যিয়েই কোনো ওজন বা জোখ-মাখ বা ইয়াৰ সৈতে সম্পৰ্কিত কোনো দস্তাবেজ বা অভিলেখ বা কোনো পেকেট কৰা পণ্য দ্ৰব্যৰ মুঠ পৰিমানৰ পৰিদৰ্শন আৰু সত্যনিৰূপণৰ বাবে বা কোনো আন উদ্দেশ্যৰ বাবে কোনো প্ৰাঙ্গনত সঞ্চালক বা নিয়ন্ত্ৰক বা কোনো বিধি পৰিমাপন পদাধিকাৰীক প্ৰৱেশত বাধা দিয়ে তেওঁ, দুই বছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে আৰু দ্বিতীয় বা অনুৱৰ্ত্তী অপৰাধৰ বাবে পাঁচ বছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে দণ্ডিত হ'ব।

*মিথ্যা তথ্য বা মিথ্যা প্ৰবিৱৰণ দিয়াৰ বাবে দণ্ড।*

৪১। (১) যিয়েই, সঞ্চালক, নিয়ন্ত্ৰক বা কোনো বৈধ পৰিমাপন পদাধিকাৰীক কোনো তথ্য দিয়ে যিটো তেওঁৰ কৰ্ত্তব্য চলি থাকোতে তেওঁ অপেক্ষা কৰিব বা বিচাৰিব পাৰে, আৰু যিটো এনে ব্যক্তিয়ে মিছা বুলি জানে বা মিছা বুলি বিশ্বাস কৰাৰ কাৰণ থাকে তেওঁ পাঁচ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে আৰু দ্বিতীয় বা অনুৱৰ্ত্তী অপৰাধৰ বাবে ছয় মাহলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে আৰু জৰিমনাৰেও দণ্ডিত হ'ব।

(২) এনে কৰিবলৈ এই অধিনিয়মৰ দ্বাৰা বা অধীনত অপেক্ষিত, হোৱা ব্যক্তিয়ে এখন প্ৰবিৱৰণ দাখিল কৰে বা কোনো অভিলেখ বা পঞ্জী সংৰক্ষণ কৰে যিটো তাত্বিক সবিশেষত মিথ্যা হয় তেওঁ পাঁচ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে আৰু দ্বিতীয় বা অনুৱৰ্ত্তী অপৰাধৰ বাবে এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে আৰু জৰিমনাৰেও দণ্ডিত হ'ব।

*হায়ৰান কাৰক অন্বেষণ।*

৪২। এই অধিনিয়ম বা তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ অধীনত ক্ষমতা কাৰ্য্যকৰী কৰা সঞ্চালক, নিয়ন্ত্ৰক বা কোনো বৈধ পৰিমাপন পদাধিকাৰীয়ে যিয়ে এনে কৰাৰ বাবে কোনো যুক্তিসঙ্গত কাৰণ নাই বুলি জানে আৰু তথাপিও —

(ক) যিকোনো গৃহ, যান-বাহন বা স্থানত অন্বেষণ কৰে বা অন্বেষণ কৰিবলৈ কাৰিত কৰে; বা

(খ) কোনো ব্যক্তিক অন্বেষণ কৰে; বা

(গ) কোনো ওজন, জোখ-মাখ বা অন্য অস্থাৱৰ সম্পত্তিৰ অভিগ্ৰহণ কৰে;

তেওঁ এনে প্ৰত্যেক অপৰাধৰ বাবে এবছৰলৈ বিস্তৃত হ'ব পৰা এটা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা দহ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব।

*অধিনিয়ম আৰু নিয়মাৱলীৰ উলংঘনত সত্যনিৰূপণৰ বাবে দণ্ড।*

৪৩। য'ত এই অধিনিয়ম বা তাৰ অধীনত প্ৰণীত কোনো নিয়মাৱলীৰ অধীনত ক্ষমতা কাৰ্য্যকৰী কৰা নিয়ন্ত্ৰক বা কোনো বৈধ পৰিমাপন পদাধিকাৰীয়ে ইচ্ছাকৃতভাৱে এই অধিনিয়মৰ উপবন্ধাৱলীৰ বা তাৰ অধীনত প্ৰণীত কোনো নিয়মাৱলীৰ উলংঘনত কোনো ওজন বা জোখ-মাখৰ সত্য নিৰূপণ বা মুদ্ৰাঙ্কিত কৰে তেওঁ এনে প্ৰত্যেক অপৰাধৰ বাবে এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা দহ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব।

*মোহৰ, ইত্যাদিৰ নকল কৰাৰ বাবে দণ্ড।*

৪৪। (১) যিয়েই —

(I) এই অধিনিয়ম বা তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বা অধীনত বিনিৰ্দ্দিষ্ট কোনো মোহৰ নকল কৰে, বা

(II) কোনো নকল মোহৰ বিক্ৰী কৰে বা অন্যথা নিষ্পত্তি কৰে; বা

(III) কোনো নকল মোহৰ অধিকাৰত ৰাখে; বা

(IV) এই অধিনিয়ম বা তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বা অধীনত বিনিৰ্দ্দিষ্ট যিকোনো মোহৰ নকল কৰে বা আতৰাই দিয়ে বা অবৈধভাৱে পৰিবৰ্ত্তন কৰে; বা

(V) কোনো আন ওজন বা জোখ-মাখৰ ওপৰত এনেদৰে আতৰাই দিয়া মোহৰ লগাই দিয়ে বা সেইবোৰক তাত অন্তঃস্থাপিত কৰে, তেওঁ ছয় মাহতকৈ কম নোহোৱা কিন্তু এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে আৰু দ্বিতীয় বা অনুৰ্বৰ্ত্তী অপৰাধৰ বাবে ছয়মাহতকৈ কম নোহোৱা কিন্তু পাঁচ বছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে দণ্ডিত হ'ব।

*১৮৬০ৰ ৪৫* স্পষ্টীকৰণ — এই উপধাৰাত "নকল" বা ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২৮ত ইয়ালৈ আৰোপিত কৰাৰ দৰে অৰ্থ হ'ব।

(২) যিয়েই, অবৈধ উপায়ৰ দ্বাৰা, এই অধিনিয়মৰ বা তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বা অধীনত বিনিৰ্দ্দিষ্ট কোনো মোহৰপ্ৰাপ্ত কৰে আৰু এনে মোহৰৰ দ্বাৰা নিৰ্মিত মুদ্ৰাঙ্কন এই অধিনিয়ম বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বা অধীনত প্ৰাধিকৃত বুলি প্ৰতিস্থিত কৰাৰ উদ্দেশ্যে কোনো ওজন বা জোখ-মাখৰ ওপৰত কোনো মুদ্ৰাঙ্কন নিৰ্মাণ কৰিবৰ বাবে কোনো মোহৰ ব্যৱহাৰ কৰে বা ব্যৱহাৰ হ'বলৈ কাৰিত কৰে তেওঁ ছয় মাহৰ কম নোহোৱা কিন্তু এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে দণ্ডিত হ'ব।

(৩) যিয়েই, এই অধিনিয়মৰ বা তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বা অধীনত বিনিৰ্দ্দিষ্ট এটা মোহৰৰ বৈধ অধিকাৰত ৰাখি এনে ব্যৱহাৰৰ বাবে কোনো বৈধ প্ৰাধিকাৰী অবিহনে এনে মোহৰ ব্যৱহাৰ কৰে বা ব্যৱহাৰ কৰিবলৈ কাৰিত কৰে, তেওঁ ছয় মাহৰ কম নোহোৱা কিন্তু এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে আৰু দ্বিতীয় বা অনুৰ্বৰ্ত্তী অপৰাধৰ বাবে ছয় মাহৰ কম নোহোৱা কিন্তু পাঁচ বছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে দণ্ডিত হ'ব।

(৪) যিয়েই, যিকোনো ওজন বা জোখ-মাখ বিক্ৰী কৰে বা বিক্ৰীৰ বাবে প্ৰস্তাৱ কৰে বা প্ৰদৰ্শন কৰে বা অন্যথা নিষ্পত্তি কৰে যিটো তেওঁ জানে বা বিশ্বাস কৰাৰ কাৰণ

থাকে, তাৰ ওপৰত এটা নকলী মোহৰ বহন কৰে, তেওঁ ছয় মাহৰ কম নোহোৱা কিন্তু এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে আৰু দ্বিতীয় বা অনুবৰ্ত্তী অপৰাধৰ বাবে ছয় মাহৰ কম নোহোৱা কিন্তু পাঁচ বছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে দণ্ডিত হ'ব।

*অনুজ্ঞাপত্ৰ অবিহনে ওজন আৰু জোখ-মাখৰ প্ৰস্তুত কৰাৰ বাবে দণ্ড।*

৪৫। এই অধিনিয়ম বা তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ অধীনত এখন অনুজ্ঞাপত্ৰ প্ৰাপ্ত কৰিবলৈ অপেক্ষিত হোৱা ব্যক্তিয়ে এখন বৈধ্য অনুজ্ঞাপত্ৰ অধিকাৰত ৰখাৰ অবিহনে কোনো ওজন বা জোখ-মাখ প্ৰস্তুত কৰে তেওঁ বিশ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে আৰু দ্বিতীয় বা অৰ্নুবৰ্ত্তী অপৰাধৰ বাবে এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব।

*অনুজ্ঞাপত্ৰ বিনা ওজন আৰু জোখ-মাখৰ মেৰামতি, বিক্ৰী, ইত্যাদিৰ বাবে দণ্ড।*

৪৬। এই অধিনিয়ম বা তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ অধীনত এখন অনুজ্ঞাপত্ৰপ্ৰাপ্ত কৰিবলৈ অপেক্ষিত হোৱা ব্যক্তিয়ে এখন বৈধ অনুজ্ঞাপত্ৰ অধিকাৰত ৰখাৰ অবিহনে কোনো ওজন বা জোখ-মাখৰ মেৰামতি বা বিক্ৰী কৰে বা মেৰামতি বা বিক্ৰীৰ বাবে প্ৰস্তাৰ, প্ৰদৰ্শন বা অধিকাৰত ৰাখে, তেওঁ পাঁচ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে আৰু দ্বিতীয় বা অনুবৰ্ত্তী অপৰাধৰ বাবে এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব।

*অনুজ্ঞাপত্ৰক অবৈধভাৱে পৰিবৰ্ত্তন কৰাৰ বাবে দণ্ড।*

৪৭। নিয়ন্ত্ৰকৰ দ্বাৰা এই মৰ্মে কৰা কোনো প্ৰাধিকৃত কালৰ অনুসৰণ ব্যতিৰেকে যিয়েই এই অধিনিয়ম বা তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ অধীনত জাৰী কৰা বা নবীকৰণ কৰা কোনো অনুজ্ঞাপত্ৰৰ পৰিবৰ্ত্তন কৰে বা অন্যথা অবৈধভাৱে পৰিবৰ্ত্তন কৰে, তেওঁ বিশ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে বা এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা উভয়ৰে দণ্ডিত হ'ব।

*অপৰাধৰ আপোচকৰণ।*

৪৮। (১) ধাৰা ২৫, ধাৰা ২৭ৰ পৰা ৩৯লৈ, ধাৰা ৪৫ৰ পৰা ৪৭লৈ বা ধাৰা ৫২ৰ উপধাৰা (৩)ৰ অধীনত প্ৰণীত কোনো নিয়ম, অভিযোজন ৰুজু কৰাৰ পূৰ্বে বা পাচত, বিহিত কৰাৰ দৰে এনে ধন ৰাশি চৰকাৰলৈ জমাৰ বাবে আদায় দিয়াত আপোচ কৰা হ'ব।

(২) এই অৰ্থে তেওঁৰ দ্বাৰা বিশেষভাৱে প্ৰাধিকৃত কৰা সঞ্চালক বা বৈধ পৰিমাপণ পদাধিকাৰীয়ে ধাৰা ২৫, ধাৰা ২৭ৰ পৰা ৩৯ লৈ, বা ধাৰা ৫২ ৰ উপধাৰা (৩)ৰ অধীনত প্ৰণীত কোনো নিয়মৰ অধীনত দণ্ডনীয় অপৰাধৰ আপোচ কৰিব পাৰে।

(৩) তেওঁৰ দ্বাৰা বিশেষভাৱে প্ৰাধিকৃত নিয়ন্ত্ৰক বা বৈধ পৰিমাপন পদাধিকাৰীয়ে ধাৰা ২৫, ধাৰা ২৭ৰ পৰা ৩১, ধাৰা ৩৩ৰ পৰা ৩৭ লৈ, ধাৰা ৪৫ৰ পৰা ৪৭লৈ আৰু ধাৰা ৫২ৰ উপধাৰা (৩)ৰ অধীনত প্ৰণীত কোনো নিয়মৰ অধীনত দণ্ডনীয় অপৰাধৰ আপোচ কৰিব পাৰে ঃ

পৰন্তু এনে ধন ৰাশি, কোনো ক্ষেত্ৰত, জৰিমনাৰ অধিকতম পৰিমানৰ অধিক নহ'ব যিটো এই অধিনিয়মৰ অধীনত এনেদৰে আপোচ কৰা অপৰাধৰ বাবে আৰোপিত কৰা হয়।

(৪) উপধাৰা (১)ত থকা কোনো কথাই তেওঁৰ দ্বাৰা সংঘটিত কৰা প্ৰথম অপৰাধৰ তাৰিখৰ পৰা তিনি বছৰৰ এটা কালৰ ভিতৰত আপোচ হোৱা এনে একে আৰু সদৃশ অপৰাধ সংঘটিত কৰা কোনো ব্যক্তিলৈ প্ৰযোজ্য নহ'ব।

স্পষ্টীকৰণ ---- এই উপধাৰাৰ প্ৰয়োজনাৰ্থে পূৰ্বতে আপোচ হোৱা তাৰিখৰ পৰা তিনি বছৰৰ এটা কালৰ অৱসানৰ পাচত সংঘটিত হোৱা কোনো দ্বিতীয় আৰু অনুবৰ্ত্তী অপৰাধক এটা প্ৰথম অপৰাধ হিচাবে গণ্য কৰা হ'ব।

(৫) য'ত উপধাৰা (১)ৰ অধীনত এটা অপৰাধক আপোচ কৰা হৈছে কোনো কাৰ্য্যবাহী বা যথাস্থিতি অতিৰিক্ত কাৰ্য্যবাহী, এনেদৰে আপোচ কৰা অপৰাধৰ সম্বন্ধত অপৰাধীৰ বিপক্ষে কৰা নহ'ব।

(৬) এই ধাৰাৰ দ্বাৰা উপবন্ধিত ব্যতিৰেকে এই অধিনিয়মৰ অধীনত কোনো অপৰাধক আপোচ কৰা নহ'ব।

*কোম্পানীৰ দ্বাৰা কৰা অপৰাধ আৰু দোষী সাব্যস্ত কোম্পানীবোৰৰ বাবে নাম, ব্যৱসায়ৰ স্থান, ইত্যাদি প্ৰকাশ কৰিবলৈ ন্যায়ালয়ৰ ক্ষমতা।*

৪৯। (১) য'ত এই অধিনিয়মৰ অধীনত এটা অপৰাধ এটা কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হয় -

(ক) (I) ব্যক্তি যদি কোনোবা থাকে, কোম্পানীৰ (ইয়াত ইয়াৰ পিচত এই ধাৰাত দায়িত্বপূৰ্ণ এজন ব্যক্তিৰূপে নিৰ্দেশিত) ব্যৱসায়ৰ পৰিচালনাৰ বাবে কোম্পানীৰ ভাৰপ্ৰাপ্ত আৰু দায়িত্বশীল ব্যক্তি হিচাবে উপধাৰা (২)ৰ অধীনত মনোনীত হোৱা ব্যক্তি; বা

(II) য'ত কোনো ব্যক্তিক মনোনীত কৰা হোৱা নাই, অপৰাধটো সংঘটিত হোৱাৰ সময়ত, কোম্পানীৰ ব্যৱসায়ৰ পৰিচালনাৰ বাবে কোম্পানীৰ ভাৰপ্ৰাপ্ত আৰু দায়িত্বত থকা প্ৰত্যেক ব্যক্তি; আৰু

(খ) কোম্পানীটোক, অপৰাধৰ বাবে দোষী বুলি গণ্য কৰা হ'ব আৰু তাৰ বিপক্ষে কাৰ্য্যবাহী চলাবলৈ দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব ঃ

পৰন্তু এই উপধাৰাত থকা কোনো কথাই, এই অধিনিয়মত উপবন্ধিত কোনো শাস্তিলৈ এনে কোনো ব্যক্তিক দায়ী নকৰিব যদি তেওঁ প্ৰমাণ কৰে যে অপৰাধটো তেওঁৰ অজ্ঞাতে সংঘটিত হৈছিল আৰু তেওঁ এনে অপৰাধৰ সংঘটন প্ৰতিযেধ কৰিবলৈ সকলো সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল।

(২) কোনো কোম্পানীয়ে, লিখিত আদেশৰ দ্বাৰা এই অধিনিয়মৰ অধীনত কোম্পানীৰ দ্বাৰা কোনো অপৰাধৰ সংঘটনক প্ৰতিযেধ কৰিবলৈ আৱশ্যক বা সমীচীন হোৱা এনে সকলো ক্ষমতা কাৰ্য্যকৰী কৰিবলৈ আৰু এনে সকলো ব্যৱস্থা লবলৈ ইয়াৰ সঞ্চালকসকলৰ যিকোনো এজনক প্ৰাধিকৃত আৰু এনেদৰে মনোনীত হোৱাৰ বাবে এনে সঞ্চালকৰ লিখিত সন্মতিসহ একেলগে দায়িত্ববান ব্যক্তিৰূপে কোনো সঞ্চালকক মনোনীত কৰিছে বুলি বিহিত কৰা দৰে এনে প্ৰ-পত্ৰ আৰু এনে ৰীতিত এনে নিয়ন্ত্ৰকৰ দ্বাৰা (ইয়াত ইয়াৰ পাচত এই ধাৰাত প্ৰাধিকৃত পদাধিকাৰী ৰূপে নিৰ্দেশিত) সঞ্চালক বা সংশ্লিষ্ট নিয়ন্ত্ৰক বা এই মৰ্মে প্ৰাধিকৃত কোনো বৈধ পৰিমাপন পদাধিকাৰীক জাননী দিব পাৰে।

স্পষ্টীকৰণ - য'ত এটা কোম্পানীৰ বিভিন্ন প্ৰতিষ্ঠান বা শাখা বা কোনো প্ৰতিষ্ঠান বা শাখাত বিভিন্ন গোট থাকে, বিভিন্ন প্ৰতিষ্ঠান বা শাখাত বা গোটৰ সম্পৰ্কত এই উপধাৰাৰ অধীনত বিভিন্ন ব্যক্তিক মনোনীত কৰিব পাৰে আৰু কোনো প্ৰতিষ্ঠান,

শাখা বা গোটৰ সম্পৰ্কত মনোনীত কৰা ব্যক্তিক এনে প্ৰতিষ্ঠান, শাখা বা গোটৰ সম্পৰ্কত দায়িত্বশীল ব্যক্তি হিচাবে গণ্য কৰা হ'ব।

(৩) উপধাৰা (২)ৰ অধীনত মনোনীত ব্যক্তিয়ে, যি পৰ্য্যন্ত

(I) সঞ্চালক বা সংশ্লিষ্ট নিয়ন্ত্ৰক বা প্ৰাধিকৃত পদাধিকাৰীৰ দ্বাৰা কোম্পানীৰ পৰা এনে মনোনয়ন বাতিলকৰণৰ অতিৰিক্ত জাননী গ্ৰহণ কৰে; বা

(II) তেওঁ কোম্পানীৰ এজন সঞ্চালক নহয়; বা

(III) তেওঁ কোম্পানীলৈ দিয়া সূচনাৰ অধীনত সঞ্চালক বা সংশ্লিষ্ট নিয়ন্ত্ৰক বা বৈধ পৰিমাপন পদাধিকাৰীলৈ মনোনয়ন বাতিল কৰিবলৈ লিখিতভাৱে এটা অনুৰোধ নকৰে, যিটো অনুৰোধ সঞ্চালক বা সংশ্লিষ্ট নিয়ন্ত্ৰক বা বৈধ পৰিমাপন পদাধিকাৰীয়ে পালন কৰিব। যিটোৱে আগতীয়া হয়, সেই ব্যক্তিজন এজন দায়িত্বশীল ব্যক্তি হৈ থাকিব ঃ

পৰন্তু য'ত এনে ব্যক্তি কোম্পানীৰ এজন সঞ্চালক নহয়, তেওঁ সঞ্চালক বা সংশ্লিষ্ট নিয়ন্ত্ৰক বা প্ৰাধিকৃত পদাধিকাৰীলৈ এনে সমাপ্তিৰ বিষয়ে সূচনা দিব ঃ

উপৰন্তু য'ত এনে ব্যক্তিয়ে খণ্ড (III) ৰ অধীনত এটা অনুৰোধ কৰে, সঞ্চালকতকৈ বা সংশ্লিষ্ট নিয়ন্ত্ৰক বা প্ৰাধিকৃত পদাধিকাৰীয়ে অনুৰোধ কৰা তাৰিখলৈ পূৰ্বৰ এটা তাৰিখৰ পৰা প্ৰভাৱী হোৱা এনে মনোনয়ন বাতিল নকৰিব।

(৪) পূৰ্বগামী উপধাৰাত কোনো কথা থকা সত্বেও, য'ত এই অধিনিয়মৰ অধীনত এটা অপৰাধ এটা কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হয়, আৰু অপৰাধটো উপধাৰা (২)ৰ অধীনত মনোনীত নোহোৱা কোনো সঞ্চালক, পৰিচালক, সচিব বা আন পদাধিকাৰীৰ সন্মতিত বা মৌন সন্মতিত বা তেওঁলোকৰ অৱহেলাৰ কাৰণত আৰোপণীয় বুলি পক্ষত প্ৰমাণিত হয়, তাত এনে সঞ্চালক, পৰিচালক, সচিব বা অন্য পদাধিকাৰীকো সেই অপৰাধত দোষী বুলি গণ্য কৰা হ'ব আৰু তাৰ বিৰুদ্ধে কাৰ্য্যবাহী কৰিবলৈ আৰু তদনুসাৰে দণ্ডিত হ'বলৈ হ'কদাৰ হ'ব।

(৫) য'ত কোনো কোম্পানী এই অধিনিয়মৰ অধীনত তাৰ উপবন্ধাৱলীৰ যিকোনো এটাৰ উলংঘনৰ বাবে দোষী সাব্যস্ত হয়, কোম্পানীক দোষী সাব্যস্ত কৰা ন্যায়ালয়ৰ বাবে কোম্পানীৰ নাম আৰু ব্যৱসায়ৰ স্থান, উলংঘনৰ প্ৰকৃতি, কোম্পানী এনেদৰে দোষী সাব্যস্ত হোৱাৰ কাৰণ আৰু এনে আন সবিশেষসমূহ ন্যায়ালয়ে নিৰ্দেশ দিয়াৰ দৰে এনে বাতৰি কাকতত বা এনে আন ৰীতিত কোম্পানীৰ খৰচত প্ৰকাশ কৰিবলৈ কাৰিত কৰাৰ বাবে ই সমৰ্থবান হ'ব।

(৬) উপধাৰা (৫)ৰ অধীনত কোনো প্ৰকাশন কৰা নহ'ব যেতিয়ালৈকে ন্যায়ালয়ৰ আদেশৰ বিৰুদ্ধে এটা আপীল ৰুজু কৰাৰ অৱধি, ৰুজু নকৰা কোনো আপীল বা ৰুজু কৰা বা নিষ্পত্তি হোৱা এনে এটা আপীল ৰুজু কৰাৰ কালৰ, অৱসান নহয়।

(৭) উপধাৰা (৫)ৰ অধীনত কোনো প্ৰকাশনৰ খৰচ কোম্পানীৰ পৰা আদায়যোগ্য হ'ব যেনিবা ই ন্যায়ালয়ৰ দ্বাৰা আৰোপিত কৰা এটা জৰিমনাহে আছিল।

স্পষ্টীকৰণ - এই ধাৰাৰ প্ৰয়োজনাৰ্থে, -

(ক) "কোম্পানী" মানে কোনো নিগমিত নিকায় আৰু ই এখন ফাৰ্ম বা ব্যক্তিসকলৰ আন সংঘক অন্তৰ্ভূক্ত কৰে; আৰু

(খ) এখন ফাৰ্মৰ সম্পৰ্কত "সঞ্চালক" মানে ফাৰ্মৰ এজন ভাগীদাৰ কিন্তু ই মনোনীত সঞ্চালক, অবৈতনিক সঞ্চালক, চৰকাৰৰ মনোনীত সঞ্চালক বৰ্হিভূত কৰে।

*আপীল।* ৫০। (১) উপধাৰা (২)ৰ উপবন্ধাৱলীৰ সাপেক্ষে, সঞ্চালকলৈ -

(ক) ধাৰা ১৩ৰ অধীনত নিযুক্ত বৈধ পৰিমাপন পদাধিকাৰীৰ দ্বাৰা ধাৰা ১৫ৰ পৰা ২০লৈ, ধাৰা ২২, ধাৰা ২৫, ধাৰা ২৭ৰ পৰা ৩৯লৈ, ধাৰা ৪১ বা ধাৰা ৫২ৰ উপধাৰা (৩)ৰ অধীনত প্ৰণীত কোনো নিয়মৰ অধীনত প্ৰত্যেক বিনিশ্চয় বা আদেশৰ এটা আপীল খাটিব;

(খ) কেন্দ্ৰীয় চৰকাৰৰ বা সেই চৰকাৰৰ দ্বাৰা এই মৰ্মে বিশেষভাৱে প্ৰাধিকৃত কোনো পদাধিকাৰীলৈ ধাৰা ১৫ৰ পৰা ২০লৈ, ধাৰা ২২, ধাৰা ২৫, ২৭ৰ পৰা ৩৯লৈ, ধাৰা ৪১ বা ধাৰা ৫২ৰ উপধাৰা (৩)ৰ অধীনত প্ৰণীত কোনো নিয়মৰ অধীনত বৈধ পৰিমাপন পদ্ধতিৰ সঞ্চালকৰ দ্বাৰা প্ৰণীত প্ৰত্যেক বিনিশ্চয় বা আদেশৰ আপীল খাটিব।

(গ) বৈধ পৰিমাপন সঞ্চালক অবিৰোধিত ক্ষমতাৰ অধীনত বৈধ পৰিমাপন নিয়ন্ত্ৰকৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰলৈ দিয়া প্ৰত্যেক বিনিশ্চয়ৰ আপীল খাটিব।

(ঘ) ধাৰা ১৫ৰ পৰা ১৮লৈ, ধাৰা ২৩ৰ পৰা ২৫লৈ, ধাৰা ২৭ৰ পৰা ৩৭লৈ, ধাৰা ৪৫ৰ পৰা ৪৭ৰ অধীনত নিয়ন্ত্ৰকলৈ দিয়া প্ৰত্যেক বিনিশ্চয় বা প্ৰণীত আদেশৰ বা ধাৰা ১৪ৰ অধীনত নিযুক্ত কোনো বৈধ পৰিমাপন পদাধিকাৰীৰ দ্বাৰা ধাৰা ৫২ৰ উপধাৰা (৩)ৰ অধীনত প্ৰণীত কোনো নিয়মৰ আপীল খাটিব; আৰু

(ঙ) ধাৰা ১৫ৰ পৰা ১৮লৈ, ধাৰা ২৩ৰ পৰা ২৫লৈ, ধাৰা ২৭ৰ পৰা ৩৭লৈ, ধাৰা ৪৫ৰ পৰা ৪৭ৰ অধীনত বা খণ্ড (ঘ)ৰ অধীনত আপীলৰ এটা আদেশ নোহোৱাত ধাৰা ৫২ৰ উপধাৰা (৩)ৰ অধীনত প্ৰণয়ন কৰা কোনো নিয়মৰ ৰাজ্য চৰকাৰলৈ, সেই চৰকাৰৰ দ্বাৰা এই মৰ্মে বিশেষভাৱে প্ৰাধিকৃত কোনো পদাধিকাৰীলৈ আপীল খাটিব।

(২) বিৰোধকৰণৰ আদেশ দিয়াৰ তাৰিখৰ পৰা ষাঠি দিনৰ ভিতৰত এনে প্ৰত্যেক আপীল গ্ৰহণ কৰা হ'ব ঃ

পৰন্তু আপীল প্ৰাধিকাৰীয়ে, উক্ত ষাঠি দিনৰ কালৰ ভিতৰত আপীল কৰাৰ বাবে পৰ্য্যাপ্ত কাৰণৰ দ্বাৰা বাধাপ্ৰাপ্ত হৈছিল বুলি সন্তুষ্ট হয়, তেন্তে, উক্ত ষাঠি দিনৰ এটা অতিৰিক্ত কালৰ ভিতৰত আপীল কৰিবলৈ আপীলকাৰীক অনুমতি দিব।

(৩) এনে কোনো আপীলৰ প্ৰাপ্তিত আপীল প্ৰাধিকাৰীয়ে আপীল কৰা পক্ষসমূহক শুনানীৰ এটা যুক্তিসঙ্গত সুযোগ দিয়াৰ পাচত আৰু ই সমুচিত গণ্য কৰা দৰে এনে অনুসন্ধান কৰাৰ পাচত, যাৰ বিৰুদ্ধে আপীল কৰা হৈছিল, তাৰ বিনিশ্চয় বা আদেশ নিশ্চিত কৰি, পৰিবৰ্ত্তন কৰি বা প্ৰত্যাবৰ্ত্তন কৰি, ই উচিত বুলি ভবা দৰে, এনে

আদেশ প্ৰণয়ন কৰিব বা অতিৰিক্ত সাক্ষ্য লোৱাৰ পাচত যদি আৱশ্যক হয়, এটা নতুন বিনিশ্চয় বা আদেশৰ বাবে, ই উচিত বুলি ভবা দৰে এনে নিৰ্দেশসহ গোচৰটো ঘূৰাই পঠিয়াব পাৰে।

(৪) বিহিত কৰা দৰে এনে মাচুলৰ আদায়ত প্ৰত্যেক আপীল গ্ৰহণ কৰা হ'ব।

(৫) কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰে, ইয়াৰ স্বপ্ৰেৰণাত বা অন্যথাই এনে বিনিশ্চয় বা আদেশৰ শুদ্ধতা, বৈধতা বা নায্যতা বিষয়ে ইয়াক নিজকে সন্তুষ্ট কৰাৰ প্ৰয়োজনাৰ্থে, প্ৰণীত কৰা কোনো বিনিশ্চয় বা আদেশৰ এটা আপীল এটা কাৰ্য্যবাহীক অন্তৰ্ভূক্ত কৰি কোনো কাৰ্য্যবাহীৰ অভিলেখ বিচাৰিব বা পৰীক্ষা কৰিব পাৰে আৰু তাৰ ওপৰত এনে আদেশ পাৰিত কৰিব পাৰে যেনেদৰে ই উচিত বুলি ভাবে ঃ

পৰন্তু এই উপধাৰাৰ অধীনত কোনো বিনিশ্চয় বা আদেশৰ পৰিবৰ্ত্তন কৰা নহ'ব যাতে কোনো ব্যক্তিক প্ৰতিকূল ভাৱে প্ৰভাৱিত নকৰে যি পৰ্য্যন্ত এনে ব্যক্তিক প্ৰস্তাৱিত কাৰ্য্য ব্যৱস্থাৰ বিপক্ষে কাৰণ দৰ্শোৱাৰ এটা যুক্তিসঙ্গত সুযোগ দিয়া নহয়।

*ভাৰতীয় দণ্ড সংহিতা আৰু দণ্ড প্ৰক্ৰিয়া সংহিতাৰ উপবন্ধাৱলী প্ৰযোজ্য নহ'ব। ১৮৬০ ৰ ৪৫ ১৯৭৪ ৰ ২*

৫১। ভাৰতীয় দণ্ড সংহিতাৰ আৰু দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ ৰ ধাৰা ১৫৩ৰ উপবন্ধাৱলী যিমান দূৰ পৰা যায় এনে উপবন্ধাৱলী ওজন বা জোখ-মাখৰ সম্বন্ধত অপৰাধ সমূহলৈ সম্পৰ্কিত হয়, এই অধিনিয়মৰ অধীনত দণ্ডনীয় হোৱা কোনো অপৰাধলৈ প্ৰযোজ্য নহ'ব।

*কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।*

৫২। (১) কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধাৱলী কাৰ্য্যকৰী কৰাৰ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে,

(২) বিশেষত: আৰু পূৰ্বগামী ক্ষমতাৰ ব্যপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা কোনো এটাৰ বাবে উপবন্ধ কৰিব পাৰে অৰ্থাৎ ঃ -

(ক) ধাৰা ৫ৰ উপধাৰা (২)ৰ অধীনত জোখ-মাখৰ মূল এককৰ আৰু ভৰৰ মূল এককৰ বিনিৰ্দ্দিষ্টকৰণ;

(খ) ধাৰা ৭ৰ উপধাৰা (৩)ৰ অধীনত বস্তু আৰু আহিলা-পাতিৰ প্ৰস্তুতকৰণৰ ৰীতি;

(গ) ধাৰা ৭ৰ উপধাৰা (৪)ৰ অধীনত ভৌতিক চৰিত্ৰ, আকৃতি, নিৰ্মাণৰ সবিশেষ, সামগ্ৰী,

(ঘ) ধাৰা ৯ৰ উপধাৰা (১)ৰ অধীনত ওজন আৰু জোখ-মাখৰ নিৰ্দ্দেশিত মানক, গৌণ মানক, আৰু কাৰ্য্যকৰী মানক;

(ঙ) নিৰ্দ্দেশিত মানক, গৌন মানক আৰু কাৰ্য্যকৰী মানৰ সত্য নিৰূপিত আৰু মুদ্ৰাঙ্কিত কৰা হ'ব আৰু ধাৰা ৯ৰ উপধাৰা (২)ৰ অধীনত মাচুল;

(চ) কোনো বস্তু, বস্তু সমূহৰ শ্ৰেণী বা উপক্ৰমৰ সম্বন্ধত ওজন বা জোখ-মাখ বা সংখ্যাৰ কোনো লেন-দেন সংব্যৱহাৰ বা সংবিদা ধাৰা ১০ৰ অধীনত কৰা হ'ব ;

(ছ) ধাৰা ১৩ৰ উপধাৰা (২)ৰ অধীনত সঞ্চালক আৰু বৈধ পৰিমাপন পদাধিকাৰীৰ অৰ্হতাসমূহ;

(জ) ধাৰা ১৪ৰ উপধাৰা (২)ৰ অধীনত নিয়ন্ত্ৰক আৰু বৈধ পৰিমাপন পদাধিকাৰীৰ অৰ্হতা;

(ঝ) ধাৰা ১৫ৰ উপধাৰা (৩)ৰ অধীনত বস্তুবোৰৰ নিষ্পত্তিৰ ৰীতি;

(ঞ) মানক পৰিমান বা সংখ্যা আৰু ৰীতি য'ত পেকেটসমূহ ধাৰা ১৮ৰ উপধাৰা (১)ৰ অধীনত ঘোষণা আৰু সবিশেষ সমূহক ধাৰণ কৰিব;

(ট) ধাৰা ১৯ৰ অধীনত ৰীতি আৰু পঞ্জীয়ন আৰু মাচুল;

(ঠ) ধাৰা ২১ৰ উপধাৰা (২)ৰ অধীনত প্ৰতিষ্ঠানৰ পৰিচালনা আৰু নিয়ন্ত্ৰণ, তাত প্ৰশিক্ষনৰ বাবে শিক্ষক বা কৰ্মচাৰী আৰু আন কৰ্মচাৰীবৃন্দ, পাঠ্যক্ৰম আৰু নিদ্ধাৰিত পাঠ্য, যিটো ধাৰা ২১ৰ উপধাৰা (২)ৰ অধীনত তাত নামভৰ্ত্তিকৰণৰ বাবে যোগ্য হ'বলৈ এজন ব্যক্তি অৰ্হতা থাকিব;

(ড) ধাৰা ২২ৰ অধীনত আৰ্হি অনুমোদনৰ বাবে ৰীতি, মাচুল আৰু প্ৰাধিকাৰী;

(ঢ) ধাৰা ২৪ৰ উপধাৰা (২)ৰ অধীনত ওজন বা জোখ-মাখৰ প্ৰকাৰ;

(ণ) কেন্দ্ৰীয় চৰকাৰে ধাৰা ২৪ৰ উপধাৰা (৩)ৰ অধীনত চৰকাৰী অনুমোদিত পৰীক্ষা কেন্দ্ৰ অধিসুচিত কৰা ৰীতি, নিবন্ধন আৰু চৰ্ত্তৱলী আৰু আদায় দিয়া মাচুল;

(ত) নিযুক্ত বা নিয়োক্ত কৰা ব্যক্তিসকলৰ অৰ্হতা আৰু অভিজ্ঞতা আৰু মাচুল আৰু নিবন্ধন আৰু চৰ্ত্ত যাৰ ওপৰত চৰকাৰ অনুমোদিত পৰীক্ষা কেন্দ্ৰই ধাৰা ২৪ৰ উপধাৰা (৪)ৰ অধীনত ওজন বা জোখ-মাখৰ সত্য নিৰূপণ কৰিব।

(দ) ধৰা ৪৮ৰ উপধাৰা (১)ৰ অধীনত অপৰাধৰ আপোচকৰণৰ বাবে মাচুল;

(থ) ধাৰা ৩৬ৰ উপধাৰা (২)ৰ অধীনত মুঠ পৰিমাণত থকা ক্ৰুটী;

(ধ) ধাৰা ৪৯ৰ উপধাৰা (২)ৰ অধীনত সঞ্চালক বা নিয়ন্ত্ৰক বা তেওঁৰ দ্বাৰা প্ৰাধিকৃত কোনো আন পদাধিকাৰীলৈ দিয়া জাননীৰ প্ৰপত্ৰ আৰু ৰীতি।

(৩) এই ধাৰাৰ অধীনত কোনো নিয়ম প্ৰণয়ন কৰোতে, কেন্দ্ৰীয় চৰকাৰে তাৰ ভঙ্গকৰণত, পাঁচ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে দণ্ডনীয় হ'ব বুলি উপবন্ধ কৰে।

(৪) এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা প্ৰত্যেক নিয়ম প্ৰণীত হোৱাৰ পাচত যথাশীঘ্ৰে অধিবেশন চলি থকা সময়ত এখন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনৰে গঠিত হ'ব পৰা মুঠ ত্ৰিশ দিনৰ এটা কালৰ বাবে সংসদৰ উভয় সদনৰ সমক্ষত উত্থাপন কৰা হ'ব আৰু যদিহে অব্যৱহিত বা পৰৱৰ্ত্তী অধিবেশনৰ অৱসানৰ পূৰ্বে উভয় সদনে সন্মতি দিয়ে যে নিয়মত কোনো সাল-সলনি কৰিব লাগে বা উভয় সদনে সন্মতি দিয়ে যে নিয়ম প্ৰণয়ন কৰিব নালাগে, তেতিয়া ইয়াৰ পিচত নিয়মটো তেনে সাল-সলনি ৰূপত প্ৰভাৱী বা যথাস্থিতি প্ৰভাৱহীন হ'ব, কিন্তু এনে কোনো সাল-সলনি বা ৰদ্‌কৰণে সেই নিয়মৰ পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব।

*ৰাজ্য চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।*

৫৩। (১) ৰাজ্য চৰকাৰে, অধিসূচনাৰ দ্বাৰা আৰু কেন্দ্ৰীয় চৰকাৰৰ সৈতে পৰামৰ্শ কৰাৰ পাচত এই অধিনিয়মৰ উপবন্ধাৱলী কাৰ্য্যকৰী কৰাৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষত: আৰু পূৰ্বগামী ক্ষমতাৰ ব্যপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনো এটাৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ

(ক) ধাৰা ১৬ৰ উপধাৰা (১) পৰন্তুকৰ অধীনত ওজন বা জোখ-মাখৰ সত্য নিৰূপণ কৰাৰ সময়;

(খ) ধাৰা ১৭ৰ উপধাৰা (১)ৰ অধীনত নিৰ্দেশিত ব্যক্তিসকলৰ দ্বাৰা সংৰক্ষণ কৰা পঞ্জী আৰু অভিলেখ;

(গ) ধাৰা (২৩)ৰ উপধাৰা (২)ৰ অধীনত অনুজ্ঞাপত্ৰৰ জাৰীকৰণৰ প্ৰপত্ৰ, ৰীতি, চৰ্ত, কাল, অধিকাৰিতাৰ ক্ষেত্ৰ আৰু মাচুল;

(ঘ) ধাৰা ২৪ৰ উপধাৰা (১)ৰ অধীনত কোনো ওজন বা জোখ-মাখৰ সত্য নিৰূপণ আৰু মুদ্ৰাঙ্কনৰ বাবে মাচুল;

(ঙ) ধাৰা ২৪ৰ উপধাৰা (৩)ৰ অধীনত চৰকাৰ মনোনীত পৰীক্ষা কেন্দ্ৰৰ অধিসূচিত কৰাৰ ৰীতি আৰু চৰ্ত্তাৱলী নিবন্ধন আৰু আদায় দিবলগীয়া মাচুল;

(চ) ধাৰা ৪৮ৰ উপধাৰা (১)ৰ অধীনত অপৰাধৰ আপোচকৰণৰ বাবে মাচুল;

(৩) এই ধাৰাৰ অধীনত কোনো নিয়ম প্ৰণয়ন কৰোতে, ৰাজ্য চৰকাৰে তাৰ ভঙ্গকৰণত পাঁচ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা এটা জৰিমনাৰে দণ্ডনীয় হ'ব বুলি উপবন্ধ কৰে।

(৪) এই ধাৰাৰ অধীনত নিয়ম প্ৰণয়ন কৰাৰ ক্ষমতা, চৰকাৰী ৰাজপত্ৰত পূৰ্ব প্ৰকাশৰ পাচত প্ৰণয়ন কৰা নিয়মসমূহৰ চৰ্ত্ত সাপেক্ষে হ'ব;

(৫) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পাচত যথাশীঘ্ৰে ৰাজ্যিক বিধান মণ্ডলৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব য'ত দুখন সদন থাকে আৰু য'ত ৰাজ্যিক বিধান মণ্ডলৰ এখন সদন থাকে, সেই সদনত উত্থাপিত কৰা হ'ব।

*ক্ষমতাৰ অধিৰোপন*

৫৪। (১) কেন্দ্ৰীয় চৰকাৰে, ৰাজ্য চৰকাৰৰ লগত পৰামৰ্শ কৰি আৰু অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে বিষয়ৰ সম্পৰ্কত আৰু এনে চৰ্ত্তাৱলীৰ সাপেক্ষে আপীল সম্পৰ্কত ধাৰা ৫০ৰ বা নিয়মাৱলী প্ৰণয়নৰ সম্পৰ্কত ধাৰা ৫২ৰ দ্বাৰা প্ৰদত্ত এটা ক্ষমতা নোহোৱাত এই অধিনিয়মৰ বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়মৰ অধীনত ইয়াৰ দ্বাৰা প্ৰয়োগযোগ্য কোনো ক্ষমতা, এই অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা দৰে ইয়াৰ এনে অধীনস্থ পদাধিকাৰীৰ দ্বাৰাও কাৰ্য্যকৰী কৰিব পাৰে বুলি নিৰ্দেশ দিব পাৰে।

(২) ৰাজ্য চৰকাৰৰ দ্বাৰা কোনো সাধাৰণ বা বিশেষ নিৰ্দেশনা বা আৰোপিত চৰ্ত্তাৱলীৰ সাপেক্ষে, কোনো ক্ষমতা কাৰ্য্যকৰী কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰাধিকৃত কোনো ব্যক্তিয়ে সেই একে ৰীতিত আৰু একে বিস্তৃতিলৈ সেই ক্ষমতাসমূহ কাৰ্য্যকৰী কৰিব পাৰে যেনিবা সেইবোৰ, এই অধিনিয়মৰ দ্বাৰা প্ৰত্যক্ষভাৱে সেই ব্যক্তিজনৰ ওপৰত অৰ্পণ কৰা হৈছিল আৰু অধিৰোপনৰ মাধ্যমেৰে নহয়।

*কেতবোৰ ক্ষেত্ৰত অধিনিয়ম প্ৰযোজ্য নহয়।*

৫৫। এই অধিনিয়মৰ উপবন্ধাৱলী যিমানদূৰ সেইবোৰ ওজন আৰু জোখ-মাখৰ সত্যনিৰূপণ আৰু মুদ্ৰাঙ্কনলৈ সম্পৰ্কিত হয়, কোনো ওজন বা জোখ-মাখলৈ প্ৰযোজ্য নহ'ব -

(ক) সংঘৰ সশস্ত্ৰ বলৰ ব্যৱহাৰৰ বাবে কোনো অস্ত্ৰ, খাৰ-বাৰুদ বা উভয়ৰ উৎপাদনত একান্তভাৱে নিয়োজিত কোনো কাৰখানাত ব্যৱহৃত হয়;

(খ) বৈজ্ঞানিক অনুষ্ঠানৰ বাবে বা গবেষণাৰ বাবে ব্যৱহৃত হয়;

(গ) ৰপ্তানিৰ বাবে একান্তভাৱে উৎপাদিত কৰা হয়।

*বিদ্যমান সঞ্চালক, নিয়ন্ত্ৰক আৰু বৈধ পৰিমাপন পদাধিকাৰী বিহিত কৰা নতুন অৰ্হতাৰ দ্বাৰা প্ৰভাৱিত নহ'ব।*

*১৯৮৫ৰ ৫৪*

৫৬। (১) এই অধিনিয়মৰ অধীনত প্ৰণয়ন কৰা নিয়মাৱলীৰ প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে নিযুক্ত প্ৰত্যেক সঞ্চালক, নিয়ন্ত্ৰক আৰু বৈধ, পৰিমাপন পদাধিকাৰীক বিভিন্ন অৰ্হতা বিহিত কৰা কোনো নিয়ম থকা সত্বেও ধাৰা ১৩ৰ উপধাৰা (১) আৰু ১৪ৰ অধীনত নিযুক্ত বুলি গণ্য কৰা হ'ব।

(২) ওজন আৰু জোখ-মাখৰ মাপক (বলবৎকৰণ) অধিনিয়ম, ১৯৮৫ৰ অধীনত এখন ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা নিয়মাৱলী, যিবোৰ এই অধিনিয়মৰ প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে বলবৎ হৈ আছে, সেইদৰে বলবৎ হৈ থাকিব, যি পৰ্য্যন্ত ৰাজ্য চৰকাৰে সেই মৰ্মে নিয়মাৱলী প্ৰণয়ন নকৰে।

*ওজন আৰু জোখ-মাখৰ মানক অধিনিয়ম ১৯৭৬ৰ আৰু ওজন আৰু জোখ-মাখৰ মানক (বলবৎকৰণ) অধিনিয়ম, ১৯৮৫ৰ নিৰসন।*

*১৯৭৬ৰ ৬০*

*১৯৮৫ৰ ৫৪*

*১৮৯৭ৰ ১০*

*১৯৭৬ৰ ৬০*

*১৯৮৫ৰ ৫৪*

৫৭। (১) ওজন আৰু জোখ-মাখৰ মানক অধিনিয়ম, ১৯৭৬ আৰু ওজন আৰু জোখ-মাখৰ মানক (বলবৎকৰণ) অধিনিয়ম, ১৯৮৫, ইয়াৰ দ্বাৰা নিৰসিত হৈছে।

(২) নিৰসনৰ সম্বন্ধত সাধাৰণ খণ্ড অধিনিয়ম, ১৮৯৭ৰ উপবন্ধাৱলীৰ প্ৰতিকূল নোহোৱাকৈ ওজন আৰু জোখ-মাখৰ মানক অধিনিয়ম, ১৯৭৬ আৰু ওজন আৰু জোখ-মাখৰ মানক (বলবৎকৰণ) অধিনিয়ম, ১৯৮৫ৰ অধীনত প্ৰণয়ন কৰা কোনো অধিসূচনা, নিয়ম বা আদেশ, এই অধিনিয়মৰ প্ৰাৰম্ভণত যদি বলবৎ হৈ থাকে, বলবৎ হৈ থাকিব আৰু প্ৰভাৱিত হৈ থাকিব যেনিবা ইয়াক এই অধিনিয়মৰ তদনুৰূপ উপবন্ধৰ অধীনত প্ৰণয়ন কৰা হৈছিল।

(৩) এনে নিৰসন সত্বেও, এনে বিধিৰ অধীনত প্ৰণয়ন কৰা, জাৰী কৰা বা দিয়া যিকোনো নিযুক্তি, অধিসূচনা, নিয়ম, আদেশ, পঞ্জীয়ণ, অনুজ্ঞাপত্ৰ, প্ৰমাণপত্ৰ, জাননী, বিনিশ্চয়, অনুমোদন, প্ৰাধিকৃতকৰণ বা সন্মতি যদি এই অধিনিয়মৰ প্ৰাৰম্ভণত বলবৎ হৈ থাকে, ই বলবৎ হৈ থাকিব আৰু প্ৰভাৱিত হৈ থাকিব যেনিবা ইয়াক এই অধিনিয়মৰ তদনুৰূপ উপবন্ধাৱলীৰ অধীনত প্ৰমাণ কৰা হৈছিল, জাৰী কৰা হৈছিল বা দিয়া হৈছিল।

# THE LEGAL METROLOGY ACT, 2009
## (No. 1 of 2010)

বৈধ পৰিমাপন পদ্ধতি অধিনিয়ম, ২০০৯

(২০১০ ৰ নং ১)

## GLOSSARY OF TERMS

পৰিভাষা

| Section | English Term | Assamese Equivalent |
|---|---|---|
| 2. (b) | Deferred Payment | স্থগিত আদায় |
| 2. (i)(ii) | End Product | অন্তিম উৎপাদিত সামগ্ৰী |
| 2. (1) | Pre-packaged commodity | পূৰ্ব পেকেট কৰা পণ্যদ্ৰব্য |
| 2. (p) | Lubricates | তেল দিয়া |
| 3. (r) | Hire-purchase | কিস্তিত ক্ৰয় কৰা |
| 2. (r) | Hypothecation | দায়বদ্ধক |
| 2. (ii) | Obliterated | নিৰ্মূল হোৱা |
| 2. (v) | Calibration | অংশাঙ্কিতকৰণ |
| 5. (1)(vi) | Luminous | উজ্বলতা |
| 22. | Bullion | সোণ-ৰূপৰ চপৰা |
| 42. (S. N.) | Vexatious | হায়ৰাণকাৰক |
| 50. (5) | Propriety | নাৰ্য্যতা |

ৰাষ্ট্ৰপতিয়ে বৈধ পৰিমাপন পদ্ধতি অধিনিয়ম, ২০০৯ (২০১০ৰ অধিনিয়ম সংখ্যা ১)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০)।

নতুন দিল্লী
তাৰিখ ঃ

সচিব, ভাৰত চৰকাৰ

The above translation in Assamese of The Legal Metrology Act, 2009 (Act No. 1 of 2010) has been authorised by the President to be published in the Official Gazette under clause (a) of Section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

New Delhi
Date :

**G. NARAYANA RAJU,**
Secretary to the Govt. of India

ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ১৩-০৬-১৯